অধ্যায় ৪ ঃ প্রত্ন আৰু মিশ্র অসমীয়া সাহিত্য (২)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ প্রত্ন আৰু মিশ্র অসমীয়া সাহিত্য
৪.৩.১ *শূন্য পুৰাণ*
৪.৩.২ নাথ সাহিত্য
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰামাই পণ্ডিতৰ *শূণ্য পুৰাণ*ৰ ভাব, ভাষা, বিষয়বস্তু আৰু ৰচনাৰীতিৰ বিষয়ে ধাৰণা লাভ কৰিব
- *শূন্য পুৰাণ* আৰু ধর্ম দেৱতা তথা ধর্ম পূজা সম্পর্কে আভাস দিব পাৰিব
- ধর্ম পূজা আৰু *শূন্য পুৰাণ*ৰ সৈতে অসমীয়া সাহিত্য আৰু সমাজৰ সম্পর্ক নিৰূপণ কৰিব পাৰিব
- নাথ সম্প্রদায়ৰ সাহিত্য শ্রেণীৰ পৰিচয় লাভ কৰিব
- নাথ সম্প্রদায়ৰ সৈতে সম্পর্কিত বেলাড বা কাহিনীগীত আলোচনা কৰিব পাৰিব
- নাথ সাহিত্য শ্রেণীৰ মূল্যায়ন আগবঢ়াব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি প্রত্ন আৰু মিশ্র অসমীয়া সাহিত্য শ্রেণীৰ অন্তর্গত চর্যাপদ আৰু *শ্রীকৃষ্ণ কীর্ত্তন*ৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলে। এই অধ্যায়টো তৃতীয় অধ্যায়টোৰেই এটা সম্প্রসাৰিত ৰূপ। ইয়াত *শূন্য পুৰাণ* আৰু নাথ সাহিত্যৰ আলোচনা অন্তর্ভুক্ত হৈছে।

৪.৩ প্ৰত্ন আৰু মিশ্ৰ অসমীয়া সাহিত্য

৪.৩.১ *শূন্য পুৰাণ*

*শূন্য পুৰাণ*ক কোনো কোনো সাহিত্যৰ সমালোচকে 'মিশ্ৰ অসমীয়া' সাহিত্য হিচাপে আলোচনা কৰিছে। অসমীয়া সাহিত্য ইতিহাসসমূহত *শূন্য পুৰাণ*ৰ বিষয়ে বিস্তৃত আলোচনা পোৱা নাযায়।

চৰ্যাপদৰ মহাযানী পন্থৰ সৈতে জড়িত শূন্যতত্ত্বৰ সৈতে *শূন্য পুৰাণ*ৰ শূন্যবাদৰ সম্পৰ্ক থকা বুলি পণ্ডিতসকলে মতপোষণ কৰিছে। ৰামাই পণ্ডিতে *শূন্য পুৰাণ*ত যি নিৰঞ্জন স্বৰূপ ব্ৰহ্মৰ কথা উল্লেখ কৰিছে, তাৰ সৈতে হিন্দু আৰু বৌদ্ধধৰ্মৰ সমন্বয় সাধিত হৈছে। হিন্দু ধৰ্মত পৌৰাণিক দেৱতাসকলৰ ভিতৰত ধৰ্ম দেৱতাৰ বিশেষ স্থান আছে। *শূন্য পুৰাণ*তো ধৰ্ম দেৱতাই প্ৰাধান্য লাভ কৰিছে।

ধৰ্ম পূজা মূলতঃ বঙ্গদেশৰ পশ্চিম অঞ্চলত প্ৰচলিত যদিও অসমতো এই পূজা প্ৰচলনৰ পৰম্পৰা দেখা যায়। অসমত মনসা পূজাৰ সৈতে ধৰ্ম দেৱতাৰ পূজা সংলগ্ন হৈ আছে।

*শূন্য পুৰাণ*ৰ সৃষ্টিতত্ত্বৰ সৈতে বৈদিক আৰু উপনিষদীয় পৰম্পৰাৰ সম্পৰ্ক ৰক্ষিত হৈছে। *ঋক্‌বেদ*ৰ দশম মণ্ডলৰ নাসদাসীয় সূক্তত তাৰ আভাস পোৱা যায়। বজ্ৰযান, সহজযান, সহজযান আৰু নাথধৰ্মৰ সৈতেও এসময়ত *শূন্য পুৰাণ*ৰ সম্পৰ্ক ৰক্ষিত হৈছিল। *শূন্য পুৰাণ*ত বিভিন্ন স্তৰৰ ভাষাৰ নিদৰ্শন পোৱা যায়। খ্ৰীষ্টিয় চতুদৰ্শ শতিকাৰ পৰা ষোড়শ শতিকাৰ বিভিন্ন স্তৰৰ নিদৰ্শনৰ ওপৰত ভিত্তি কৰি *শূন্য পুৰাণ* ৰচনাৰ সময় সম্পৰ্কত মতভেদ দেখা যায়।

ৰামাই পণ্ডিতৰ *শূন্য পুৰাণ* পুথিখনি প্ৰথমে হৰপ্ৰসাদ শাস্ত্ৰী ডাঙৰীয়াই আৱিষ্কাৰ কৰে আৰু নগেন্দ্ৰনাথ বসুৱে সৰ্বপ্ৰথম পুথিখনি সম্পাদনা কৰে। হৰপ্ৰসাদ শাস্ত্ৰী ডাঙৰীয়াই পুথিখনিৰ নাম ৰাখিছিল '*ৰামাই পণ্ডিতৰ পদ্ধতি*'। যিটি পৰিৱৰ্তন কৰি বসুৱে *শূন্য পুৰাণ* নামেৰে 'বঙ্গীয় সাহিত্য পৰিষদ'ৰ পৰা ১৩১৪ বঙ্গাব্দত প্ৰকাশ কৰি উলিয়ায়।

কাব্যখনি শূন্যবাদৰ ওপৰত প্ৰতিষ্ঠিত বাবে কাব্যখনিৰ নাম *শূন্য পুৰাণ* ৰখা হয় আৰু পিছত এই নামটি সৰ্বসন্মতভাৱে গ্ৰহণ কৰা হয়। অৱশ্যে সুকুমাৰ সেন ডাঙৰীয়াই মুদ্ৰিত গ্ৰন্থৰ *শূন্য পুৰাণ* নামটো যুক্তিযুক্ত বুলি নাভাবে। তেওঁৰ মতে— 'নগেন্দ্ৰনাথ বসুৱে সম্পাদনা কৰা গ্ৰন্থখন দুই-তিনিখন ধৰ্ম পূজা বিষয়ক গ্ৰন্থৰ সংগ্ৰহহে। এই নামটো চমকপ্ৰদ আৰু বৌদ্ধগন্ধী হ'লেও যথাৰ্থ নহয়। *(ৰূপৰামেৰ ধৰ্মমঙ্গল, ভূমিকা)* মানুহৰ মুখে মুখে প্ৰচলিত শূণ্য নিৰঞ্জন সম্পৰ্কীয় কথাখিনি ৰমাই পণ্ডিতে লিপিবদ্ধ কৰি এই গ্ৰন্থখনি প্ৰণয়ন কৰে বুলি জনা যায়—

"শ্ৰীধৰ্মচৰণে মহাভক্তি নিয়োজিত।
সুনিয়া ভাৰতী ৰচিল ৰামাই পণ্ডিত।।"

ৰামাই পণ্ডিতে নিজে সংগ্রহ কৰা কাব্যক *আগম পুৰাণ* আখ্যা দিছিল।

"ধর্ম্মৰ চৰণে মজাইয়া নিজচিত।
ৰামাঞিও পণ্ডিত গান আগম সঙ্গীত।।
হিমায় পণ্ডিত সুত কবি জাৰ অদ্ভুত, কৃপাময় জাৰে গুণধাম।
আগম পুৰণ বাণী, এ তিনি ভুবনে জানি, ৰামাই পণ্ডিত ৰসগান।।"

ৰামাই পণ্ডিতৰ এই কাব্যখনি হৰপ্রসাদ শাস্ত্রীয়ে বাঁকুৰা জিলাৰ পৰা সংগ্রহ কৰিছিল। কাব্যখনিৰ দুটি খণ্ডিত ৰূপ এচিয়াটিক ছ'ছাইটিৰ গ্রন্থাগাৰত সংৰক্ষিত হৈ আছে।

শশীভূষণ দাসগুপ্তই বঙ্গৰ বিভিন্ন ধর্মীয় সম্প্রদায়ৰ বিষয়ে গৱেষণা কৰি মত প্রকাশ কৰিছে যে—

"Religion has always been one of the main motives of literature. It has been so in all countries and particularly in India is pre-eminently a land of religion. As a matter of fact, the history of modern Indian Literature is so intimately related with the history of some of the most important religious movements flourishing in this country that an intimate acquaintance with those religious movements seems indispensable for a thorough study of the vernacular literature." *(Obscure Religious Cults)*

চর্যাগীতত যি মহাযানী পন্থৰ বর্ণনা দাঙি ধৰা হৈছে, তাত শূন্যতাৰ সৈতে কৰুণাৰ সংযোগ ঘটাই সহজানন্দৰ অনুভূতি জাগৰণৰ কাৰণে মহাশূন্যত প্রৱেশৰ ইঙ্গিত দিয়া হৈছে। শূন্যবাদৰ এই চিন্তাৰ আধাৰতেই *শূন্য পুৰাণৰ* জন্ম হোৱা বুলি পণ্ডিতসকলে মত প্রকাশ কৰিছে।

***শূন্য পুৰাণৰ* ৰচনাকাল ঃ** *শূন্য পুৰাণৰ* ৰচনাকাল সম্পর্কত পণ্ডিতসকলৰ মাজত মতভেদ বিদ্যমান। যোগেশ চন্দ্র বিদ্যানিধিৰ মতে *শূন্য পুৰাণ* চতুদর্শ শতিকাৰ আগৰ নহয়। সুকুমাৰ সেনে ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰি *শূন্য পুৰাণৰ* ভাষা কোনোপধ্যেই যোড়শ শতিকাৰ আগৰ নহয় বুলি মতপ্রকাশ কৰিছে। গতিকে দেখা যায় যে *শূন্য পুৰাণৰ* ভাষাত বিভিন্ন যুগৰ ভাষাৰ প্রভাৱ সংৰক্ষিত হৈ আছে। সুনীতি কুমাৰ চট্টোপাধ্যায়ে *শূন্য পুৰাণৰ* ৰচনাকাল ত্রয়োদশ-চতুর্দশ শতিকা বুলি মত প্রকাশ কৰিছে। যোগেশ চন্দ্র বিদ্যানিধিয়ে *শূন্য পুৰাণৰ* তিনিটা স্তৰ কল্পনা কৰি তাৰ ৰচনাকাল যথাক্রমে ত্রয়োদশ-চতুর্দশ, পঞ্চদশ-ষোড়শ ও সপ্তদশ-অষ্টাদশ শতাব্দী ধৰিছে। সুকুমাৰ সেনে গ্রন্থখনিৰ ভাষাৰ আধাৰত বিচাৰ কৰি ইয়াক ষোড়শ শতিকাৰ ৰচনা বুলিছে।

***শূন্য পুৰাণৰ* শূন্যবাদ ঃ** বিশিষ্ট আচার্য নাগার্জুনৰ 'মূল মাধ্যমিক কাৰিকা'ত মাধ্যমিক-সকলৰ মহাযানসূত্রত বর্ণিত শূন্যবাদৰ বিষয়ে বর্ণনা দাঙি ধৰা হৈছে। ইয়াত বুদ্ধদেৱৰ

'মধ্যম মার্গ' অনুসৰণ কৰা হৈছে। যিটোক মাধ্যমিক দর্শন আখ্যা দিয়া হয়। বৌদ্ধ শাস্ত্রৰ মতে 'সর্বধর্মাঃ শূন্যাঃ' অর্থাৎ বস্তুৰ সকলো উপাদানেই শূন্যতা ভাববিশিষ্ট।

"যা প্রতীত্যসমূৎপাদা শূন্যতাং প্রচক্ষ্মহে।
স প্রজাতিৰ উপাদায় প্রতিপৎসৈব মধ্যমা।।"

—এই দর্শনত আস্তি আৰু নাস্তি মাজৰ অৱস্থা স্বীকৃত হয়।

নাথ সম্প্রদায়ৰ সাহিত্যতো শূন্যবাদ স্বীকৃত হৈছে। নার্গাজুন এগৰাকী নাথযোগী সিদ্ধ আছিল আৰু তেওঁ দার্শনিক শূন্যবাদৰ প্রতিষ্ঠা কৰিছিল। গোৰক্ষ বিজয়ত বিভিন্ন ঠাইত শূন্যৰ প্রসঙ্গ পোৱা যায়— "কোন দুখে জাইবা তুম্হি গোর্খৈৰ বচনে। পাগল কৰিল গোর্খ (দিয়া) শূন্যজ্ঞানে।।"

যিসকল শূন্যত বিশ্বাসী তেওঁলোক জাগতিক বিষয়বস্তুৰ প্রতি আকৃষ্ট নহয়, কাৰণ জাগতিক বিষয়সমূহৰ কোনো অস্তিত্ব নাই। *শূন্য পুৰাণ* কাব্যৰ দেৱতা নিৰাকাৰ, দেৱাদিদেৱ আৰু তেওঁ শূন্য ৰূপ। তেওঁ দৰাচলতে ব্রহ্মা-বিষ্ণু আৰু মহেশ্বৰৰ মিলিত সত্তা। মহাশূন্যতাত বিচৰণশীল সেই প্রভূৰ ইচ্ছাতেই শূন্যতাৰ পৰাই চৰাচৰ জগতৰ সৃষ্টি হৈছে। তেওঁৰ কৰুণাপ্রাপ্তিৰ বাবেই ব্রহ্মাই গভীৰ তপস্যাত নিমগ্ন হয়, শিৱই তেওঁৰেই মহিমা কীর্তন কৰে। যোগী- ঋষিসকলৰ তপস্যা আৰু পুৰন্দৰৰ কৃচ্ছ্রব্রত সাধনাৰ অন্তৰালতো তেওঁৰ কৰুণাপ্রাপ্তিৰ উদ্দেশ্য নিহিত হৈ আছে। বৌদ্ধদর্শনৰ মূল তত্ত্বও হৈছে 'সর্বম্ অনিতং, সর্বম্ অনাত্মম্ নির্বাণং শান্তম্।

ধর্ম দেৱতাৰ পূজা ঃ হিন্দুৰ পৌৰাণিক দেৱতাসকলৰ ভিতৰত ধর্ম দেৱতাৰ বিশেষ স্থান আছে। *শূন্য পুৰাণ*তো ধর্ম পূজাৰ বিধানত এইগৰাকী দেৱতাৰ প্রতি স্তুতি কৰা দেখা যায়। এই বিষয়ে শশীভূষণ দাসগুপ্তই তলত দিয়া ধৰণে মন্তব্য কৰিছে—

"Tradition in the Dharma cult often show a great tendency to identify Dharma, or Dharma- raja with the Dharma raja yama. As a matter of fact yama itself, seated on his Vahana (mount) of buffalo, is often identified with the Dharma raja of the Dharmites in many places of west Bengal and the festivities of Dharma raja yama."

ৰামাই পণ্ডিতৰ *শূন্য পুৰাণ*ত ধর্ম ঠাকুৰৰ পূজা পদ্ধতিৰ কথা আছে। এনে কাৰণতে এই কাব্যখনি ধর্ম পুৰাণ নামেৰেও পৰিচিত। *শূন্য পুৰাণ*ৰ সৃষ্টি-পত্তন, ৰাজা হৰিশ্চন্দ্রৰ ধর্ম পূজা, ধূনা জ্বলোৱা, ঘোড়া সজোৱা, বাৰমাসি, পুষ্পাঞ্জলি, ধর্ম পূজা, হোম যজ্ঞ, ধর্মৰাজক প্রণাম প্রভৃতি বিভিন্ন দিশত পুৰাণৰ লক্ষণ দেখিবলৈ পোৱা যায়।

ধর্ম পূজা মূলতঃ বঙ্গদেশৰ পশ্চিমাঞ্চলৰ উৎসৱ যদিও প্রাচীন অসমতো ধর্ম দেৱতাৰ পূজা প্রচলন থকাৰ প্রমাণ পোৱা গৈছে। বঙ্গদেশৰ পশ্চিমাঞ্চলত ৰাঢ় প্রদেশত প্রধানভাৱে এই পূজা প্রচলিত হ'লেও অসমতো মনসা পূজাৰ লগত ধর্ম দেৱতাই এভাগি পূজা পায়। *শূন্য পুৰাণ*ৰ সম্পাদক নগেন্দ্র নাথ বসু আৰু দীনেশ চন্দ্র সেনৰ মতে ৰামাই

পণ্ডিত একাদশ শতিকাৰ বাঁকুৰা জিলাৰ লোক। দীনেশ চন্দ্র সেনৰ মতে '*শূন্য পুৰাণ*'ৰ কবি ৰামাই পণ্ডিতেই পোন প্রথমে বঙ্গদেশত 'ধর্মমত' প্রচাৰ কৰে।

"ৰামাই পণ্ডিত ধর্ম পূজা কৰে নিৰন্তৰ।
তখন বয়স হৈল পঞ্চাশ বৎসৰ।
তাৰ পৰ দিকে দিকে ৰামাইৰ গমন।
সসাগৰা পৃথিৰী মধ্যে ধর্ম্মৰ স্থাপন।
ছত্রিশ জাতিৰ ঘৰে ধর্ম্মৰ স্থাপন
সবাৰ পূজাতে হন তুষ্ট নিৰঞ্জন।।"

অৱশ্যে ৰামাই পণ্ডিতৰ সকলোবোৰ কথা ঐতিহাসিক বুলি ধৰিব নোৱাৰি। *History of Bengali Literature* গ্রন্থত দীনেশ চন্দ্র যেনে ৰামাই পণ্ডিত সম্পর্কে এনেদৰে লিখিছে—

"Ramai Pandit was a contemporary of Dharma Pal II, who reigned in Gaud in the early part of the 11th century AD. Rajendra Chalo's rock inscription (1012 AD) discovered in Tirumalaya, probably makes mention of his monarch. Rama Rai Pandit was born on the 5th day of the waxing moon, in the month of Baisakh, towards the end of the 10th century AD. *(History of Bengali Literature)*

বঙ্গদেশত ধর্ম পূজাৰ আন আন নাম আছিল গৃহভৰণ বা ঘৰভৰা। ধর্ম পূজা বিধানৰ আৰম্ভণিতেই আছে— *"তত্র গৃহভৰণৰূপ ধর্মপূজনম্।"*

আন ঠাইত— *"হৰিচন্দ্র ৰাজা, কৰে ধর্ম পূজা, ভৰএ নবাহুতি ঘৰ।"*

যিসকলে মনষ্কামনা পূৰণৰ অর্থে ধর্মৰ পূজা কৰে, তেওঁৰ সকলো মনষ্কামনা পূর্ণ হয়। ধর্ম পূজাত হিন্দুপুৰাণ আৰু তন্ত্রৰ বহুতো দেৱতাৰ লগতে বহুতো অনির্দিষ্ট গ্রাম্য দেৱতাক শূন্যদেহ ৰূপে কল্পনা কৰি পূজা কৰা হয়—

"মণ্ডলং বর্তুলাকাৰং শূন্যদেহং মহাবলম্
একচক্রধৰং দেবং তং সূর্যং প্রণমাম্যহম্।"

চাৰু বন্দোপাধ্যায়ৰ মতে— '*শূন্য পুরাণ* প্রভৃতিৰ ধর্ম পূজাৰ খাঁটি বৌদ্ধও নয়, হিন্দুও নয়, দুইয়ের মিশ্রণে প্রস্তুত বঙ্গের লৌকিক পদ্ধতি মাত্র। ধর্মরাজ ক্রমে বিষ্ণু ও শিৱেৰ মধ্যে আত্মনিমজ্জন করিয়া পরম নির্বাণ লভে করিয়াছেন।'

***শূন্য পুৰাণৰ* সৃষ্টিতত্ত্ব ঃ** সৃষ্টি পাতনিৰ বর্ণনাৰে *শূন্য পুৰাণ* আৰম্ভ কৰা হৈছে আৰু আৰম্ভণিৰ পূর্বতে ধর্ম দেৱতাক 'শ্রীশ্রীধর্মায় নমঃ' বুলি প্রণাম জনোৱা হৈছে। তাৰ পাছতেই সৃষ্টিৰ পূর্বতে পর্বত, পাহাৰ, ৰবি, শশী, সাগৰ, দেৱতা, ঋষি-মুনি, জীৱজন্তু একোৱেই নাছিল বুলি উল্লেখ কৰিছে।

"নহি ৰেক নহি ৰূপ নহি ছিল বন্ন চিন।
ৰবি সসী নহি ছিল নহি ৰাতি দিন।।
নহি ছিল জল থল নহি ছিল আকাস।
মেৰুমন্দৰ ন ছিল ন ছিল কৈল্যাস।।
নহি ছিল ছিষ্টি আৰ ন ছিল চলাচল।
দেহাৰা দেউল নাহি পৰবত সকল।।
দেৱতা দেহাৰা ন ছিল পূজিবাক দেহ।
মহাশূন্য মধ্যে পৰভুৰ আৰ আছে কেহ।।"

এদিন প্রভুৰ দয়া হোৱাত নিজৰ পৰাই পুৰুষৰ জন্ম দিলে। এনেদৰে চৈধ্য যুগ অতিক্রম কৰাৰ পিছত বিভিন্ন জীৱজন্তু, চৰাচৰ, প্রকৃতি আদিৰ জন্ম দিলে।

"বিসাৰ উপৰে পৰভুৰ উপজিল দআ।
আপুনি সিৰাজিল পৰভু আপনাৰ কাআ।।
দয়াৰ সাগৰ পৰভু হএ গেল থিত।
দেহ হইতে পুনজ্জন্ম জন্মে আচান্বিত।।"

৫৬টা অধ্যায়ত সম্পূর্ণ *শূন্য পুৰাণ*ৰ প্রথম পাঁচটা অধ্যায়ত সৃষ্টি পাতনিৰ বর্ণনা কৰা হৈছে আৰু পৰৱর্তী অধ্যায়সমূহত ধর্ম পূজাৰ বিবিধ পদ্ধতি সম্পর্কে আলোচনা সন্নিৱিষ্ট হৈছে।

শূন্যবাদৰ মূল পোৱা যায় ঋকবেদৰ দশম মণ্ডলৰ (১২৯ সূক্ত) নাসদাসীয় সূক্তত। *শূন্য পুৰাণ*ৰ সৃষ্টিখণ্ডৰ সৈতে নাথ সম্প্রদায়ৰ অনাদ্য চৰিত্রৰ সৃষ্টিতত্ত্বত সাদৃশ্য দেখা যায়। বজ্রযান, সহজ যান আৰু নাথ ধর্মৰ সৈতে এসময়ত ধর্ম-সম্প্রদায়ৰ সংস্পর্শ আছিল। যিটো উভয় ধর্মৰ সৃষ্টিতত্ত্ব সম্পর্কীয় কাহিনীত স্পষ্ট ৰূপে ধৰা দিয়ে। ব্রাহ্মণ, আৰণ্যক, উপনিষদাদি গ্রন্থৰ সৃষ্টিকথাৰ প্রভাৱেও শূন্যতত্ত্বৰ প্রচাৰত সহায় কৰিছিল। বেদত 'নিৰঞ্জন' সংজ্ঞাটিও পোৱা যায়।

ধর্ম পূজা বঙ্গদেশৰ পশ্চিম অঞ্চলৰ ধর্মীয় উৎসৱ। ধর্ম পূজা হিন্দুধর্মৰ সৈতে বৌদ্ধমতৰ (মূলতঃ শূন্যবাদ)ৰ মিশ্রণত উৎপন্ন হৈছে। পৰৱর্তী কালৰ কবীৰ পন্থ, নানক পন্থ প্রভৃতিৰ দৰেই ধর্ম পূজাও এটি সংকৰ ধর্ম। পৰৱর্তী কালত অৱশ্যে নাথ পন্থৰ কিছু উপাদানো আহি ধর্ম পূজাত সন্নিৱিষ্ট হয়হি। তাত সাধাৰণতে পণ্ডিত ব্রাহ্মণ আৰু নিম্নশ্রেণীৰ হিন্দুৰ মাজত শূন্যৰূপী ধর্ম দেৱতাৰ পূজা প্রচলিত হৈ আহিছে। ধর্ম পূজাৰ সৈতে আর্য্য-আর্যভিন্ন, বৈদিক-পৌৰাণিক, বৌদ্ধ প্রভৃতি বিবিধ প্রভাৱৰ সমন্বয় সাধিত হৈছে। এই সম্পর্কত ক্ষিতিশচন্দ্র চট্টোপাধ্যায়ে (Journal of the Royal Asiatic society of Bengal, Letters. Vol. VIII)ত অন্তর্ভুক্ত হোৱা 'Dharma Worship' শীর্ষক প্রবন্ধত এনেদৰে মত প্রকাশ কৰিছে—

"It is not suggested that the cult has not been affected by Buddhism, Saivism and other religious influences. The results of such influences are obvious in the worship and ritual. Nevertheless, the core of the cult the sacrifice which is made and the fulfillment of the wished-for-end, are not derived directly from the wellknown historical religions or sects mentioned."

বঙ্গদেশত ধর্ম পূজা সাধাৰণতে পতিত ব্ৰাহ্মণ আৰু নিম্নশ্ৰেণীৰ হিন্দুসকলৰ মাজত প্ৰচলিত। হৰপ্ৰসাদ শাস্ত্ৰীয়ে ধর্ম দেৱতাক বঙ্গদেশত বৌদ্ধধর্মৰ প্ৰভাৱৰ শেষ প্ৰতীক বুলি ভাবে। অৱশ্যে, *শূন্য পুৰাণৰ* ধর্ম দেৱতা তথা ধর্ম পূজাৰ উৎপত্তি আৰু বিকাশত মহাযানী বৌদ্ধধর্মৰ লগতে তান্ত্ৰিক হিন্দুধর্ম আৰু আদিম লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰভাৱৰ দিশটোও অস্বীকাৰ কৰিব নোৱাৰি। মুঠতে ধর্ম পূজাৰ সৈতে বৌদ্ধ, তান্ত্ৰিক-হিন্দু আৰু লৌকিক প্ৰভাৱ সন্নিৱিষ্ট হৈ আছে।

***শূন্য পুৰাণ* আৰু অসমীয়া সাহিত্য ঃ** *অসমীয়া সাহিত্যৰ বুৰঞ্জীত* ভূমুকিত ডিম্বেশ্বৰ নেওগে বর্তমান বঙ্গীয় সাহিত্যৰ অন্তর্গত ৰামাই পণ্ডিতৰ *শূন্য পুৰাণ*, কবি সঞ্জয় আৰু কবীন্দ্ৰ পাত্ৰৰ *মহাভাৰত* আৰু তাৰ অন্তর্গত 'ময়নামতী' আৰু 'গোপীচন্দ্ৰৰ গান' অসমীয়া বুলি সুমুৱাই লয় আৰু 'অসমীয়া সাহিত্যিকসকলে এই বিষয়ে গহীনকৈ ভাবি চাব বুলি আশা কৰে।'

অসমতো এসময়ত ধর্ম পূজাৰপ্ৰচলন আছিল। বৈষ্ণৱ ধর্মৰ *চৰিত পুথিত* উল্লেখ থকা মতে অনন্ত কন্দলি ধর্ম পূজক আছিল। কিন্তু তেওঁৰ পত্নী আছিল পৰম বিষ্ণুভক্ত। অনন্ত কন্দলিৰ পূজাত ধর্ম দেৱতা সন্তুষ্ট হৈ ধর্ম বৃষভ ৰূপ ধাৰণ কৰি নিতৌ তেওঁৰ পূজা গ্ৰহণ কৰিছিল। চৰিতকাৰৰ ভাষাত— "ধর্মপূজে সন্তোষ হৈ পূজাত ব্যক্ত হৈ বৃষভ স্বৰূপে গ্ৰহণ কৰে নিতে। তাৰাৰ পত্নীটি মহা শান্তি বিষ্ণুৰ ভক্তা, অশোকৰ বিপ্ৰপত্নী সদৃশ। আএ নিতে হৰিগুণ গাই গুৰুজনৰ মাহাত্ম্য উৎকৰিয়া থাকে।"

এই কথাত খং উঠি অনন্ত কন্দলিয়ে এদিন পত্নীক মাৰ-কিল কৰাত সেইদিনাৰে পৰা পূজাত বৃষ ৰূপ ধর্মই দেখা নিদিয়া হ'ল। পূজাও গ্ৰহণ নকৰা হ'ল। সেয়ে কবিৰ মনটো বিষণ্ণ হৈ পৰিল। পিছত পত্নীয়ে তেওঁৰ দুখৰ কাৰণ সোধাত কন্দলিয়ে উত্তৰ দিছিল— "বোলে কি সোধ, মই যাক পূজিছিলোঁ চৈতন্য ৰূপে লৈছিল। তোক মাৰিবৰ পৰা নোলাই নাখাইও।"

তেতিয়া অনন্ত কন্দলিৰ পত্নীয়ে উত্তৰ দিছিল— "শ্ৰীশঙ্কৰ ৰূপে হৰি অৱতাৰ পূৰ্ণে বটদ্ৰৱাত, ত'লৈকে গ'ল।"

পত্নীৰ কথা শুনি শঙ্কৰদেৱৰ ওচৰলৈ গৈ অনন্ত কন্দলিয়ে তেওঁ ধর্ম চর্চা কৰি থকা ঠাইতে দেখিলে 'ধর্ম পৰি আছে কপিলা গো ৰূপে'। তেতিয়া শঙ্কৰদেৱৰ আগত অনন্ত কন্দলিয়ে ধর্ম পূজা কৰাৰ কথা ব্যক্ত কৰে।

পশ্চিম অসমত মনসা পূজাৰ লগত ধর্ম পূজা হয়। মনসা দেৱীৰ পূজাৰ আগদিনা পূর্ণ ঘট-আগলি কলপাততে পতা হয় আৰু ইয়াক ধর্মৰ ঘট বোলা হয়। মনকৰৰ মনসা গীততো ধর্ম সম্বন্ধে উল্লেখ পোৱা যায়। নামনি অসমত প্রাচীন কালৰে পৰাই গৃহদেৱতা হিচাপে আনুসঙ্গিকভাৱে ধর্ম দেৱতাৰ পূজা কৰা দেখা যায়। উজনি অসমতো বিয়াৰ হোমৰ ওচৰত কন্যাৰ মোমায়েকে ধর্মৰ ঘট ধৰা কথাটো আৰু চাওঁতাল আদি অষ্ট্রিক ভাষী লোকৰ বিয়াৰ কইনাৰ মোমায়েকৰ প্রাধান্যৰ কথা এই বিষয়তে বিশেষ মন কৰিবলগীয়া।

***শূন্য পুৰাণৰ* ভাষা ঃ** *শূন্য পুৰাণৰ* ভাষাৰ মাজত অসমীয়া ভাষাৰ বৈয়াকৰণিক ঠাঁচ বিদ্যমান। সেইবাবেই চর্যাগীত আৰু *শ্রীকৃষ্ণ কীর্ত্তনৰ* সৈতে থকা সাদ্যশ্যৰ প্রতি লক্ষ্য ৰাশি কোনো কোনোৱে ইয়াক অসমীয়া সাহিত্যৰ প্রাক্-শঙ্কৰী যুগৰ নিদর্শন ৰূপে মত প্রকাশ কৰিছে। সত্যেন্দ্রনাথ শর্মাৰ মতে—

"নাৰায়ণদেৱৰ পদ্মপুৰাণৰ দৰে হয়তো *শূন্য পুৰাণৰো* কোনো কোনো খণ্ড এসময়ত অসম আৰু বঙ্গদেশ দুয়ো ঠাইতে প্রচলিত আছিল। সেই কাৰণে মনকৰৰ কাব্যৰ লগত স্থানবিশেষে *শূন্য পুৰাণৰ* অংশ বিশেষৰ অদ্ভুত সাদৃশ্য দেখা পাওঁ। মনকৰ পঞ্চদশ শতিকাৰ শেষ আৰু ষোড়শ শতিকাৰ আদিভাগৰ কবি, সেই হিচাপে *শূন্য পুৰাণৰ* অংশবিশেষৰ ৰচনা পঞ্চদশ শতিকা বা তাৰ অলপ আগত নির্ণয় কৰিব পাৰি।'

শূন্য পুৰাণৰ বাক্যবিলাক চুটি চুটি আৰু উক্তি-প্রত্যুক্তিৰে পৰিপূর্ণ। উদাহৰণ স্বৰূপে, "কোন মাসে কোন ৰাশি। চৈত্রমাসে মীন ৰাসি। হে কালিন্দি জল, জল, বাৰ ভাই আদিত্ত। হস্ত পাতি লহ সেৱকেৰ অর্ঘ্য পুষ্প-পালি। সেৱক হ'ব সুখি আমনি ধামাৎকান্নি।" (অথ বাৰমাসি) *শূন্য পুৰাণৰ* অন্তর্গত 'অথ বাৰমাসি' খণ্ডত চ'ত মাহৰ পৰাই গোটেই বাৰ মাহৰ প্রতি মাহৰে ৰাশি, ৰাশিৰ অধিপতি দ্বাদশ আদিত্যৰ নাম অর্ঘ-পুষ্প, জল নিবেদন কৰি সুখ আৰু মুক্তি কামনা কৰিছে। বাৰজন দেৱতা, দ্বাদশ ভাতৃ-ভগ্নীৰ কল্পনা কৰিছে আৰু প্রত্যেককে আদিত্য বুলিলে।

"বাৰমাসে বাৰ ফুল হইল সমতুল।
পাদুকা স্থাপিত হোইল ধর্মৰ ফুল।।
বাৰ আদিত্য বাৰ ভাই।
ধর্ম দেৱতাৰ নামো নাই পাই।।
গইল পণ্ডিতৰাম ভাবি নিৰঞ্জন।
ভকতজনাৰে পৰভু ৰাখিব চৰণে।।" (অথ বাৰমাসি)

শূন্য পুৰাণত বিভিন্ন সময়ৰ বিভিন্ন লোকৰ ভাষাৰ সমন্বয় লক্ষ্য কৰা যায়। পুথিৰ সম্পাদকে কিছুমান শব্দ নুবুজি ছপাৰ সময়ত তাক আধুনিক ৰূপ দিয়াৰ ফলত শব্দৰ বানানৰ পৰিৱর্তন, বর্ণাশুদ্ধিৰ সংশোধন আদিয়ে পুথিখনক প্রকৃত ৰূপৰ পৰা আঁতৰাই আনিছে।

কাব্যখনত ব্যৱহৃত সর্বনাম পদ, কাৰক আৰু ক্রিয়াপদৰ বিভক্তিত আৰু লগতে কোনো কোনো শব্দৰ ৰূপত *শূন্য পুৰাণৰ* ভাষাৰ বিশেষত্ব লক্ষ্য কৰিব পাৰি। নগেন্দ্রনাথ বসুৱে কাব্যখনৰ ভাষাৰ সৈতে ওড়িআ ভাষাৰ সাদৃশ্য থকা বুলি মত প্রকাশ কৰিলেও, সেয়া অসমীয়া ভাষাৰ চানেকি যেনহে লাগে। তেওঁ উল্লেখ কৰা পদটি হ'ল—

'এমন ধর্মৰ বৰত ন কৰিব হেলা।
সংসাৰ তৰিবাত যদি বাইন্ধ হে ভেলা।।'

কাব্যখনৰ ভাষাৰ বৈশিষ্ট্য ঃ

সর্বনাম

আহিম, আমি-আমি
মোৰ, মোহৰ- আমাৰ
মুৰা- আমৰা
মোকে-আমাকে
তুমাকে-তোমাকে

কাৰক

কর্ম কাৰকত-ক
পিতাক-পিতাকে
জাক-যাকে
অধিকৰণত-ত,এঃ, এ ঃ
হাথত-হাথেতে, হাতে
মালঞ এ-মালঞে

ক্রিয়া পদ ঃ (প্রথম পুৰুষত)

জাঅ-যায়
হএ-হয়
কহে-কহে, কহেন
বৈসে-বৈসও-বসে
কৰিলেন্ত-কৰিলেন
ৰচিল-ৰচিলেন
হইলাক-হইল

মধ্যম পুৰুষ—

সুনু-শুনুন, শোন,
ৰাখহু-ৰাখুন
কৰ-কৰ

উত্তৰ পুৰুষে

জানি-জানি
আইলা এঃ-আইলাম আসিলাম
কৰিবু-কৰিব

<u>নিমিত্তার্থে</u>

আনিবাৰে-আনিতে
পূজিবাক-পূজিতে
কৰিতে-কৰিতে।

কাব্যখনত পদৰ ঐক্য ৰক্ষিত হোৱা দেখা নাযায়। *শূন্য পুৰাণৰ* প্রায় সর্বত্রতে কর্মকাৰকত-ক, অধিকৰণত-এত, সম্বন্ধত-ৰ, আৰু ভৱিষ্যত অনুজ্ঞাত 'ব' আছে।

ধর্ম পূজাৰ বিধান ঃ ধর্ম পূজাত শিৱ, বিষ্ণু, গণেশ, ব্রহ্মা, সূর্য্য প্রভৃতি পৌৰাণিক দেৱতাৰ লগতে ব্রহ্মাণী, মহেশ্বৰী, বৈষ্ণৱী প্রভৃতি শক্তি আৰু বিষহৰি, বাশুলী মঙ্গল চাণ্ডিকা, ষষ্ঠী, বিশালাক্ষী প্রভৃতি লৌকিক দেৱতাৰ পূজাৰ প্রসঙ্গও পোৱা যায়। তদুপৰি ধর্ম পূজাত ক্ষেত্রপাল, নৱগ্রহ, দশ দিকপাল প্রভৃতিৰ পূজা আছে। এইসকল আনুসঙ্গিক দেৱতাৰ লগে লগে ধর্ম আৰু তেওঁৰ চাৰি দ্বাৰপাল— মহাকাল, জম্ভল, ঝর্ঝৰীক আৰু

নন্দী, ধৰ্মৰ চাৰি মহাপাত্ৰ— মদন, ডামৰ শাঞি, কামদেৱ আৰু পাড়িহাৰ, লগতে তেওঁৰ চাৰি কোটাল সূৰ্য, হনুমান, চন্দ্ৰ আৰু গৰুড়েও পূজা লাভ কৰে।

ধৰ্মৰ অন্য নাম হৈছে নিৰঞ্জন। ধৰ্ম পূজা বিধানত তেওঁৰ ধ্যান এনে ধৰণৰ—

"ওঁ যস্যান্তং নাদিমধ্যং ন চ কৰচৰণং নাস্তি কায়ো নিনাদং
নাকাৰং নাদিৰূপং ন চ ভয়মৰাং নাস্তি ভস্মৈব যস্য।
যোগীন্দ্ৰধ্যানগম্যং সকলদলগতং সৰ্বসংকল্পহীনং
তত্ৰৈকোপি নিৰঞ্জনোহমকবৰঃ পাতু মাং শূন্যমূৰ্তি ঃ।।"

*শূন্য পুৰাণ*ত ধৰ্মৰ ধ্যানৰ বিধান এনে ধৰণৰ—

"শূন্যৰূপং নিৰাকাৰং সহস্ৰবিঘ্ননাশনং।
সৰ্ব্বপৰঃ পৰদেবঃ তস্মাত্ত্বং বৰদো ভব।। নিৰঞ্জনায় নমঃ।"

*শূন্য পুৰাণ*ৰ সৃষ্টিতত্ত্ব বৰ্ণনাৰ পৰা দেখা যায় যে যেতিয়া কোনো সৃষ্টি নাছিল, তেতিয়া মহাশূন্যৰ মাজত এগৰাকী স্বয়ং স্ৰষ্টা বিদ্যমান— 'শূন্যত ভৰমন পৰভুৰ সূনো কৰি ভৰ।' পৰৱৰ্তী কালত তেওঁৰ সৃষ্টিৰ ইচ্ছা জাগ্ৰত হোৱাত—

"বিসাৰ উপৰে পৰভুৰ উপজিল দয়া।
আপনি সৃজিল পৰভূ আপনাৰ কায়া।।"

এই কায়াই হ'ল নিৰঞ্জন, তেৱেঁই নাৰায়ণ। তেওঁৰ অৰ্দ্ধ অঙ্গৰ ঘামৰ পৰাই আদ্যাশক্তি আৰু আদ্যাৰ গৰ্ভৰ পৰাই ব্ৰহ্মা-বিষ্ণু-শিৱৰ উৎপত্তি হৈছে। পৰৱৰ্তী কালত শিৱ আৰু আদ্যশক্তিৰ যোগেদি সমস্ত জীৱন সৃষ্টি হৈছে। এই নিৰঞ্জন কল্পনাৰ সৈতে বৌদ্ধধৰ্মৰ শূন্যবাদৰ মিল দেখা যায়। নিৰঞ্জন শূন্যমূৰ্ত্তি, শূন্যৰূপ।

বৌদ্ধধৰ্ম আৰু *শূন্য পুৰাণ*ৰ ধৰ্ম পূজা ঃ মহাযান সম্প্ৰদায়ৰ শূন্য ভাৱনাৰ বীজমন্ত্ৰ হৈছে— 'ওঁ শূন্য ব্ৰহ্মণে নমঃ।' তেওঁলোকে এই মন্ত্ৰক নিৰাকাৰ মন্ত্ৰ বোলে। শূন্যব্ৰহ্ম বা মহাশূন্যতা বিশ্ববীজ— বিশ্ব সৃষ্টিৰ আদি কাৰণ। তেওঁ স্বয়ম্ভু, অনাদি। তেওঁৰ পৰাই বেদমাতাৰ উপত্তি হৈছে। বৌদ্ধসকলৰ শূন্য প্ৰভাৱৰ, স্বয়ংপ্ৰকাশ স্বয়ংজ্যোতি— বৈদিক তমোভূত অন্ধকাৰ নহয়। বৌদ্ধসকলৰ মতে পৰিদৃশ্যমান জগত অনাদি প্ৰবাহ তাৰ আদিও নাই অন্তও নাই। শূন্য অৰূপ, অলক্ষ্য অথচ সৰ্বব্যাপী। এই অলেখ নিৰঞ্জন শূন্যই ৰামাই পণ্ডিতৰ উপাস্য দেৱতা। ৰামাই পণ্ডিতে প্ৰচাৰ কৰে যে জীৱনৰ উদ্দেশ্য হৈছে ব্ৰহ্মজ্ঞান লাভ আৰু ব্ৰহ্মনিৰ্বাণ।

ধৰ্ম ঠাকুৰৰ কূৰ্মমূৰ্তি ঃ ৰাঢ়ৰ বিশিষ্ট গ্ৰাম্যদেৱতা ধৰ্ম ঠাকুৰৰ সৈতে কূৰ্মৰ বিশেষ সম্পৰ্ক পৰিলক্ষিত হয়। সাধাৰণতে ধৰ্মৰ পাদপীঠ ৰূপেই কূৰ্মৰ ব্যৱহাৰ কৰা হৈছে। ধৰ্ম ঠাকুৰৰ কূৰ্মপ্ৰতীক বা বাহনৰ কথা কোনো পুৰণি পুথিত পোৱা নাযায়। *ধৰ্ম পুৰাণ*ত বাহন হিচাপে উল্লুকৰ উল্লেখহে পোৱা যায়।

কূৰ্ম সূৰ্য্যদেৱতা তথা জলদেৱতা। ধৰ্ম পূজাবিধানত ধৰ্ম ঠাকুৰৰ কচ্ছপ ৰূপৰ বৰ্ণনা পোৱা যায়— *"কচ্ছপৰূপধৰং মহিং মনোহৰং নিল্লোপং নিৰঞ্জনং।"*

উক্ত গ্রন্থৰ মন্ত্রত আছে— *"শ্রীধর্মায় নমঃ। কূর্মবাহনায় নমঃ উলূক বাহনায় নমঃ। ধবল খচৰায় নমঃ।"*

সুকুমাৰ সেনে উল্লেখ কৰিছে যে জলদেৱতা হিচাপে ভাৰতবর্ষত কূর্ম পূজাৰ পৰম্পৰা অতি প্রাচীন। কৌটিল্যৰ অর্থশাস্ত্রত বৰষুণ নহ'লে কূর্মপূজা কৰাৰ বিধান থকা বুলি উল্লেখ কৰিছে। শতপথ ব্রাহ্মণত সূর্য্যকে কূর্ম বোলা হৈছে। হিন্দুধর্মৰ দশাৱতাৰৰ ভিতৰত কূর্ম দ্বিতীয় অৱতাৰ।

পুৰণি কালত ৰাজ্যৰ মঙ্গলৰ নিমিত্তে ৰজাসকলে কূর্ম পালন কৰিছিল। বৰাহ মিহিৰৰ বৃহৎ সংহিতাত অনুৰূপ উল্লেখ পোৱা যায়। শতপথ ব্রাহ্মণত-প্রজাপতিয়ে কূর্মৰূপ ধাৰণ কৰাৰ উল্লেখ পোৱা যায়। এই কচ্ছপেই কশ্যপ নামেৰে পৰিচিত হৈছে। যোগাশাস্ত্রতো কূর্মদেৱতা, কূর্মচক্র, কূর্মবায়ু আদিৰ উল্লেখ পোৱা যায়।

ধর্ম পূজা আৰু ৰামাই পণ্ডিত ঃ হৰপ্রসাদ শাস্ত্রীয়ে ৰামাই পণ্ডিতক ধর্ম পূজাৰ আদিগুৰু হিচাপে চিনাকি কৰিছে। দীনেশ চন্দ্র সেনে ৰামাই পণ্ডিতক মহাৰাজ ধর্মপালৰ সমসাময়িক বুলি মত পোষণ কৰিছে।

বঙ্গদেশৰ বাঁকুৰা জিলাৰ বিষ্ণুপুৰৰ প্রায় বাৰ মাইল পূবত অৱস্থিত ময়নাপুৰ গাঁৱত যাত্রাসিদ্ধি নামৰ ধর্ম ঠাকুৰৰ মন্দিৰ আছে। সেই মন্দিৰৰ সেৱকৰ যোগেদি পণ্ডিত বিনোদবিহাৰী কাব্যতীর্থই যি তথ্য সংগ্রহ কৰিছে, তাৰ পৰা জনা যায় যে ৰামাই পণ্ডিত জাতিত ব্রাহ্মণ কুলৰ আছিল। ৰামাই পণ্ডিতেও নিজকে দ্বিজ বুলি পৰিচয় দিয়া দেখা যায়।

হৰপ্রসাদ শাস্ত্রীয়ে নিজেই স্বীকাৰ কৰিছে যে "ৰামাই পণ্ডিত দ্বিজ ছাড়া অন্য কিছু নন, অর্থাৎ তিনি নিজেকে অন্য কোনো নামে চিহ্নিত কৰেণ নি।" তেওঁ দ্বিজৰাম, পণ্ডিতৰাম, ৰামাই প্রভৃতি একেজন ব্যক্তি বুলি স্থিৰ কৰিছে। কাব্যৰ ভণিতাতো তাৰ নিদর্শন পোৱা যায়—

"অনাদ্য-পদাৰবিন্দ মধু লুব্ধ মতি।
দ্বিজৰামাই পণ্ডিত গান মধুৰ ভাৰতী।।"
"অনাদ্য চৰণে ভাবিয়া একমন।
দ্বিজ ৰামাই পণ্ডিত গান সেবিয়া নিৰঞ্জন।।"

ৰামাই পণ্ডিতৰ পিতৃ আছিল বিশ্বনাথ নামৰ এগৰাকী ব্রাহ্মণ। *অনিল পুৰাণৰ* মতে ৰামাই হ'ল 'হিমাই পণ্ডিত'ৰ পুত্র। ৰামাই পণ্ডিতৰ পিতৃয়ে বিষ্ণু পূজাৰ পৰিণতি স্বৰূপে ৰামাইক পুত্র ৰূপে পায়। সৰুতে পিতৃ বিয়োগ ঘটাত মাতৃয়ে পিতৃৰ সৈতে সহমৰণ বৰণ কৰাত মার্কণ্ডেয় ঋষিৰ আশ্রমত ৰামাই পালিত হয়। এদিন দুর্বাশাৰ দ্বাৰা ৰামাই শাপগ্রস্ত হয়। ফলত ৰামাই ব্রাহ্মণ হৈও যজ্ঞসূত্র ধাৰণ নকৰি তান্ত্রদীক্ষা গ্রহণ কৰে। তান্ত্রদীক্ষাৰ অন্তত তেওঁ পণ্ডিত উপাধি পায় আৰু ধর্ম পূজাৰ অধিকাৰ লাভ কৰে। সৰুতে পিতৃ বিয়োগ ঘটাত তেওঁ আনৰ আশ্রমত থাকি ডাঙৰ-দীঘল হয়। ৰামাইক পালক পিতৃ জাতিত ব্রাহ্মণ হ'লেও তেওঁ পৰম্পৰাগত ব্রাহ্মণ্য ধর্মৰ বিৰোধী আছিল।

সেয়ে তেওঁ ৰামাইক বৈদিক দীক্ষা দিয়াৰ পৰিৱর্তে তান্ত্রদীক্ষা দিলে। সেই সময়ত ধর্ম পূজাৰ পণ্ডিতসকলৰ মাজত তান্ত্রদীক্ষাৰ প্রচলন আছিল। এনে দীক্ষাৰ পিছত সেই ধর্মপণ্ডিতে নিম্নশ্রেণীৰ ওচৰত ব্রাহ্মণৰ দৰেই সন্মান লাভ কৰে আৰু এনে তান্ত্রদীক্ষাপ্রাপ্ত-সকলে ধর্ম পূজা কৰাৰ যোগ্যতা লাভ কৰে। ৰামাই পণ্ডিতৰ বংশোদ্ভৱ লোকসকলে তান্ত্রধাৰণৰ অধিকাৰ লাভ কৰি নিম্ন শ্রেণীৰ লোকসকল বিশেষকৈ কৈৱর্ত প্রভৃতি সম্প্রদায়ৰ লোকৰ ঘৰত বিয়া-বাৰু, শ্রাদ্ধ আদি কামত অংশ গ্রহণ কৰিব পাৰিছিল।

ময়ুৰ ভট্টৰ *ধর্ম পুৰাণ* বা ধর্মমঙ্গলত ৰামাই পণ্ডিতৰ ধর্ম পূজাত লাভ কৰা প্রতিপত্তিৰ বিষয়ে বর্ণনা দাঙি ধৰা হৈছে। পৰৱর্তী কালত ধর্ম পূজা ৰামাই পণ্ডিতৰ পৰিয়ালৰ একচেতিয়া সম্পদত পৰিণত হয়।ৰামাই পণ্ডিতৰ আশীর্বাদ লাভ কৰি কর্ণসেনৰ পত্নী ৰঞ্জাৱতীয়ে পুত্র লাভ কৰে আৰু ধর্ম পূজাক সাধাৰণ মানুহৰ মাজত প্রচাৰ কৰে।

আগতেই উল্লেখ কৰা হৈছে যে *শূন্য পুৰাণ*ৰ প্রথম সংস্কৰণটি নগেন্দ্রনাথ বসুৰ সম্পাদনাত বঙ্গীয় সাহিত্য পৰিষদৰ যোগেদি ১৩১৪ বঙ্গাব্দত আৰু দ্বিতীয় সংস্কৰণটি চাৰুচন্দ্র বন্দোপাধ্যায়ৰ সম্পাদনাত বসুমতী সাহিত্য মন্দিৰৰ দ্বাৰা প্রকাশিত হৈছিল। দ্বিতীয় সংস্কৰণত ছহীদুল্লাহ আৰু বসন্তকুমাৰ চট্টোপাধ্যায়ৰ ভূমিকা সন্নিৱিষ্ট হৈছে।

মনকৰিবলগীয়া যে নগেন্দ্রনাথ বসুৱে *শূন্য পুৰাণ* সম্পাদনাৰ সময়ত বিনোদ বিহাৰী কাব্যতীর্থৰ ওপৰত অধিক নির্ভৰ কৰাত এই সম্পাদনাত যথেষ্ট ত্রুটী ৰৈ গৈছে। সেইবাবেই নগেন্দ্রনাথ বসুৱে সম্পাদনা কৰা *শূন্য পুৰাণ*ক সুকুমাৰ সেনে নির্ভৰযোগ্য নহয় বুলি ধাৰণা কৰিছিল। ভক্তিমাধৱ চট্টোপাধ্যায়েও তথ্য-প্রমাণৰ ভিত্তিত নগেন্দ্রনাথ বসুৰ *শূন্য পুৰাণ*ৰ পাঠ যথার্থ নহয় বুলি মত পোষণ কৰিছিল।

নগেন্দ্রনাথ বসু আৰু চাৰুচন্দ্র বন্দোপাধ্যায়ে এটা কথা স্বীকাৰ কৰিছে যে *শূন্য পুৰাণ* ৰামাই পণ্ডিতৰ স্বকীয় ৰচনা নহয়, ইয়াৰ অন্তৰালত একাধিক কবিৰ সৃষ্টিকার্য সংযুক্ত হৈ আছে। যোগেশচন্দ্র বিদ্যানিধিয়ে *শূন্য পুৰাণ*ৰ তিনিটি স্তৰৰ লগতে পাঁচজন কবিৰ হাতৰ পৰশ বিছাৰি পাইছে। ছহীদুল্লাহৰ মতে "*শূন্য পুৰাণ* আদিম আকাৰে ৰামাই ৰচিত, দ্বিতীয় স্তৰে নাথ ও ইছলামী প্রভাৱ এবং তৃতীয় স্তৰে অর্বাচীন ৰচনা ও সংস্কৃত শ্লোক-এৰ সঙ্গে যুক্ত হয়েছে। বসন্ত কুমাৰ চট্টোপাধ্যায়েও অনুৰূপ মত পোষণ কৰেন।" অনুৰূপভাৱে সুকুমাৰ সেন আৰু আশুতোষ ভট্টাচার্য্যয়ো *শূন্য পুৰাণ*ত একাধিক কবিৰ ৰচনা সন্নিৱিষ্ট হোৱা কথাটোত ঐক্যমত পোষণ কৰা দেখা যায়।

ধর্ম পূজাৰ আদি স্থান বর্দ্ধমান জিলাৰ বল্লুকা নদীৰ তীৰ আৰু আন এটি পৱিত্র স্থান হ'ল— চাম্পা নদী— 'স্তান সন্ধ্যা গোসাঞিৰ চাম্পানদীৰ ঘাট।'। ধর্ম পূজাৰ আন এখনি প্রসিদ্ধ ঠাই হ'ল হুগলি জিলাৰ জাজপুৰ। এতিয়ালৈকে এইসমূহ স্থানতেই ধর্ম পূজাৰ পুথিসমূহ পোৱা গৈছে।

ধর্ম পূজাৰ বিধানত বিভিন্ন লৌকিক দেৱ-দেৱীৰ লগতে ক্ষেত্রপাল, নৱগ্রহ, দশদিকপাল প্রভৃতিৰ পূজাৰ প্রসঙ্গ উল্লেখ কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ *শূন্য পুৰাণ* বুলিলে কি বুজে ? (১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ২ ঃ *শূন্য পুৰাণ*ৰ কিবা ধর্মীয় তাৎপর্য আছেনে ? (২৫০টা শব্দৰ ভিতৰত লিখক)

৪.৩.৪ নাথ সাহিত্য

নাথ সম্প্রদায়ৰ সাহিত্যৰাজিৰ মূল আধাৰগ্রন্থ সংস্কৃত *পুৰাণ-উপপুৰাণ* যদিও আধুনিক ভাৰতীয় আর্য্য ভাষাতো এনে ভালেমান সাহিত্যৰ সৃষ্টি হৈছে। ইয়াত নাথ সম্প্রদায়ৰ লিখিত আৰু মৌখিক সাহিত্যৰাজিৰ আলোচনাহে দাঙি ধৰাৰ প্রয়াস কৰা হৈছে। নাথ সম্প্রদায়ৰ সাহিত্যৰাজি জনসাধাৰণৰ উদ্দেশ্য ৰচিত হোৱাত তাৰ ভাষা তৎকালীন লোকভাষাৰ অনুগামী হৈছে। এইসমূহ গ্রন্থৰ সৰহভাগেই যোগ-বিষয়ক কথাৰ ওপৰত ভিত্তি কৰি ৰচিত হোৱা সত্ত্বেও অপূর্ব সাহিত্যিক গুণেৰে সমৃদ্ধ হৈছে। যোগ আৰু শৈৱধর্মৰ দর্শনৰ লগে লগে ইয়াত সমসাময়িক সমাজ আৰু সংস্কৃতিৰ প্রাসঙ্গিক আলোচনাও আছে।

নাথ সম্প্রাদায়ৰ সাহিত্যৰাজিৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে এই আলোচনাৰ অৱতাৰণা কৰা হৈছে। নাথ সম্প্রদায়ৰ লিখিত সাহিত্যৰ ভিতৰত চর্যাগীত, হাড়মালা, অনাদ্য চৰিত্র মনসা কাব্য আদিৰ উল্লেখ কৰিব পাৰি। আনহাতে, মৌলিক সাহিত্যৰ ভিতৰত *ময়নামতীৰ গান,* গোপীচন্দ্রৰ গান, গোৰক্ষবিজয়, *মীন চেতন* আদিৰ উল্লেখ কৰিব পাৰি।

নাথ-সম্প্রদায়ৰ সাহিত্যৰাজিৰ মূল আধাৰ-গ্রন্থ সংস্কৃত পুৰাণ-উপপুৰাণ যদিও আধুনিক ভাৰতীয় আর্য্য ভাষাতো এনে ভালেমান সাহিত্যৰ সৃষ্টি হৈছে। ইয়াত সংস্কৃত সাহিত্যৰ বিভিন্ন গ্রন্থৰ প্রসঙ্গ উল্লেখ কৰিলেও আধুনিক ভাৰতীয় আর্য্য ভাষা অসমীয়াত ৰচিত নাথ-সম্প্রদায়ৰ লিখিত আৰু মৌখিক সাহিত্যৰাজিৰ আলোচনাহে দাঙি ধৰাৰ প্রয়াস কৰিছো।

নাথ-সম্প্রদায়ৰ সাহিত্যৰাজি জনসাধাৰণৰ উদ্দেশ্য ৰচিত হোৱাত তাৰ ভাষা তৎকালীন লোকভাষাৰ অনুগামী হৈছে। এইসমূহ সাহিত্যৰ সৰহভাগেই যোগ-বিষয়ক কথাৰ ওপৰত ভিত্তি কৰি ৰচিত হোৱা সত্ত্বেও অপূর্ব সাহিত্যিক গুণেৰে সমৃদ্ধ হৈছে। যোগ আৰু শৈৱ ধর্মীয় দর্শনৰ লগে লগে ইয়াত সমসাময়িক সমাজ আৰু সংস্কৃতিৰ প্রাসঙ্গিক আলোচনাও আছে। তলত অসমৰ নাথ সম্প্রদায়ৰ সাহিত্যৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল।

হাড়মালা ঃ *হাড়মালা* গ্রন্থ দ্বিজ শক্রঘ্ন বিৰচিত আৰু ৰাজমোহন নাথৰ দ্বাৰা কোনো নাথযোগীৰ গৃহৰ পৰা সংগৃহীত। *বঙ্গীয় সাহিত্য পৰিষদ পত্রিকাৰ* দ্বিতীয় সংখ্যাক 'নাথধর্মে

সৃষ্টিতত্ত্ব' শীৰ্ষক আলোচনাত ৰাজমোহন নাথ সম্প্ৰদিত *বঙ্গীয় নাথপন্থৰ প্ৰাচীন পুথি* আৰু প্ৰফুল্ল চৰণ চক্ৰৱৰ্তীৰ *নাথধৰ্ম ও সাহিত্য* শীৰ্ষক গ্ৰন্থতো *হাড়মালা* গ্ৰন্থ সঙ্কলিত হৈছে।

হাড়মালা গ্ৰন্থৰ সিদ্ধমত অনুযায়ী নাথ-যোগীসকলৰ 'সিদ্ধিপদ' প্ৰাপ্তিৰ আভাস দাঙি ধৰা হৈছে। বহুযুগ ধৰি নাথ-যোগীসকলৰ মাজত চলি অহা কায়াযোগ সাধনাৰ আভাস গ্ৰন্থখনিত স্পষ্ট। হৰ-গৌৰীৰ কথোপথনৰ চলেলে গ্ৰন্থখনিত নৱদেহৰ যৌগিক ব্যাখ্যা দাঙি ধৰা হৈছে। মন কৰিবলগীয়া যে গ্ৰন্থোক্ত শিৱ-পাৰ্বতী কোনো তেজ-মঙহৰ দেহধাৰী জীৱ নহয়, তত্ত্বৰ সাকাৰ ৰূপক মাত্ৰ।

হাড়মালা গ্ৰন্থৰ বিষয়বস্তু এনেধৰণৰ— শিৱৰ ডিঙিত হাড়ৰ মালা দেখি পাৰ্বতীয়ে ইয়াৰ কাৰণ জানিব বিচৰাত শিৱই উত্তৰ দিলে যে যুগে যুগে পাৰ্বতী শিৱৰ পত্নী আছিল আৰু যোগজ্ঞানৰ অভাৱত তেওঁ বাৰে বাৰে মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। শিৱই পাৰ্বতীৰ স্মৃতিচিহ্ন স্বৰূপে প্ৰতি জন্মতেই তেওঁৰ দেহৰ একোডুখৰি হাড় জমা ৰাখি তাৰে এধাৰ মালা প্ৰস্তুত কৰি পিন্ধিছিল। অমৰত্ব গুণৰ অধিকাৰী হোৱা বাবে শিৱই পাৰ্বতীৰ পুনৰাৱৰ্তনৰ কথা জানিবলৈ সক্ষম হৈছিল। শিৱৰ মুখেদি এনে কথা শুনাৰ পাছত স্বাভাৱিকতে পাৰ্বতীয়ে আশ্চৰ্য প্ৰকাশ কৰিলে আৰু স্বামীৰ পৰা অমৰত্বৰ কৌশল সম্পৰ্কে জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

শিৱই পাৰ্বতীক যোগসাধনাৰ কথা উল্লেখ কৰিলে। যোগ সাধনা কৰা বাবেই শিৱ অমৰ আৰু যোগৰ অভাৱতেই পাৰ্বতী মৰণশীলা। পাৰ্বতীৰ মনৰ কৌতূহল দূৰ কৰিবৰ কাৰণে শিৱই লগতে যোগ আৰু দেহতত্ত্ব সম্পৰ্কীয় বিভিন্ন তত্ত্বপূৰ্ণ কথাও পাৰ্বতীৰ ওচৰত ব্যক্ত কৰে। শিৱ আৰু পাৰ্বতীৰ মাজৰ এই কথোপকথনেই হাড়মালা গ্ৰন্থৰ মূল প্ৰতিপাদ্য বিষয়।

হাড় হ'ল মানৱদেহৰ কঠিনতম পদাৰ্থ। মুণ্ড হ'ল সৰ্বজ্ঞান প্ৰকাশক বৰ্ণ বা অক্ষৰৰ প্ৰতীক। মানৱদেহ পাঁচোটি কোষেৰে গঠিতঃ অন্নময়, প্ৰাণময়, বিজ্ঞানময়, আনন্দময় আৰু চিন্ময়। উপনিষদত অন্নকে জড় বোলা হৈছে। জড়ৰ পৰিণতি চিন্ময়ত্বত্বৰ, চিন্ময়ত্বৰ আৱৰণ জড়। *কঠোপনিষদত* পঞ্চভূতাত্মক জড়দেহকে প্ৰাণৰ অন্ন বোলা হৈছে। শৰীৰস্থ কুণ্ডলিনী শক্তি মূলাধাৰৰ পৰা সহস্ৰাৰলৈ ঊৰ্ধ্বগমন হ'লে ই শিৱসামীপ্য লাভ কৰে। ফলত সাধকৰ অন্তৰৰ পৰা জড় ভাবৰ অৱসান ঘটে আৰু চেতন ভাবৰ উদয় হয়।

মানৱৰ মৃত্যুৰ পাছত মৃতদেহ অগ্নিদগ্ধ হ'লেও হাড় অৱশেষ থাকে। বৈদিক যুগৰ যম-নচিকেতা আদিৰ কথোপকথনত বিবৃত কথাখিনিয়েই *হাড়মালা* গ্ৰন্থত হৰ-পাৰ্বতীৰ সংবাদ ৰূপে বৰ্ণিত হৈছে। কঠোপনিষদতো যমে নচিকেতাক এধাৰি বহুৰূপা মালা উপহাৰ দিয়াৰ উল্লেখ পোৱা যায়। এই মালাৰ সৈতে বহুজন্মৰ বহুৰূপ প্ৰকৃতিৰ স্মৃতি বিজড়িত হৈ আছে।

হাড়মালা গ্ৰন্থৰ আলোচ্য বিষয়ত গূহ্য সাধন-পদ্ধতি আৰু দৰ্শনৰ লগতে জীৱন্মুক্তিবাদৰ আভাস পোৱা যায়। জীৱন্মুক্তিবাদ আৰু গুৰুবাদৰ সৈতে নাথ সম্প্ৰদায়ৰ

প্রাচীন ঐতিহ্য জড়িত হৈ আছে। হাড়মালা গ্রন্থ উক্ত ঐতিহ্য আৰু পৰম্পৰাৰ বাহক। গ্রন্থখনি আৰম্ভ কৰিছে এনেদৰে—

"হাড়মালা দেখে দেৱি শিৱেৰ গলাতে।
বিস্মিত হইয়া দেৱি বোলয় শিৱেতে।।
হাড়মালা কেন প্রভু কণ্ঠেৰ উপৰে।
বড়ই বিস্ময় প্রভু ভৈল মোৰ মনে।।
ইহাৰ স্বৰূপ প্রভু কহিবা আপনে।
যোগজ্ঞান হৃদয়ঙ্গম কৰা কাৰণে শিৱ মৃত্যুঞ্জয়ী।।"

ব্রহ্মজ্ঞান চিন্তাই শিৱৰ জৰা-মৃত্যুৰ পৰা হাত সাৰি থকাৰ একমাত্র কাৰণ—

"শিৱে বোলে দেৱি আমি জানি যোগ।
ব্রহ্ম জ্ঞান চিন্তি থাকি নাহি মৃত্যু ৰোগ।।"

হাড়মালা গ্রন্থৰ আন এটি মন কৰিবলগীয়া বৈশিষ্ট্য হৈছে— নাথধর্মৰ সৃষ্টিতত্ত্ব ব্যাখ্যা। *হাড়মালা* সৃষ্টিতত্ত্বত বেদান্ত, শূন্যবাদ, সাংখ্য, তন্ত্র, *উপনিষদ*, বিবিধ *পুৰাণ*, সংহিতা আৰু যোগশাস্ত্রৰ প্রভাৱ পৰিছে। *হাড়মালাত* ব্রহ্মৰ স্বৰূপ বর্ণনা, সৃষ্টিতত্ত্ব, শৰীৰতত্ত্ব, নাদ আৰু বিন্দুতত্ত্ব, নাড়ী আৰু বায়ুতত্ত্ব, জীৱাত্মা প্রভৃতিৰ কার্য, শিৱ-শক্তিৰ স্বৰূপ, শূন্যতত্ত্ব, নিৰঞ্জনতত্ত্ব আদি বিবিধ বিষয়ৰ তাত্ত্বিক আলোচনাই ঠাই পাইছে। মুঠতে, নাথধর্ম আৰু সাধনাৰ এটি সামগ্রিক ৰূপ গ্রন্থখনিত বিদ্যামান।

হাড়মালাত চন্দ্র সাধনৰ যোগেদি কায়াসিদ্ধি লাভ কৰি অমৰত্ব লাভ কৰাৰ লগতে 'ওঁ-কাৰ' সাধনৰ জৰিয়তে ব্রহ্মপ্রাপ্তিৰ নির্দেশ দিয়া হৈছে। নাথধর্মৰ মতে শব্দময় ব্রহ্ম আৰু নিশব্দময় নিৰঞ্জন 'পৰমাত্মা'ৰ মাজত কোনো ভেদ নাই। শব্দাতীত নিৰঞ্জন পৰব্রহ্মৰেই অন্য নাম। আকৌ, পৰব্রহ্মক 'একমেৱাদ্বিতীয়ম' বোলা হৈছে। আনহাতে, শিৱকো 'শিৱমেৱাদ্বিতীয়ম' বুলিছে। পৰমাত্মাৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰি বাবেই তেওঁ অলক, অলখনাথ বা অলখ-নিৰঞ্জন।

হাড়মালাৰ আন এঠাইত নিৰাকাৰ ব্রহ্মক 'ধর্ম' স্বৰূপ বোলা হৈছে। এইখিনিতেই *শূন্য পুৰাণৰ* সৃষ্টিতত্ত্বৰ সৈতে হাড়মালাৰ সাদৃশ্য মনকৰিবলীয়া। হাড়মালাত বর্ণিত বিবিধ তত্ত্বৰ প্রাসঙ্গিক ব্যাখ্যাই গ্রন্থখনিৰ সাহিত্যিক আৰু দার্শনিক গাম্ভীর্য প্রদান কৰিছে।

অনাদ্য চৰিত্র ঃ *অনাদ্য চৰিত্র* নামৰ পুথিখনি অসমৰ হাইলাকান্দিৰ পৰা সংগ্রহ কৰি ৰাজমোহন নাথে *বঙ্গীয় সাহিত্য পৰিষদ পত্রিকাত* 'নাথধর্মে সৃষ্টিতত্ত্ব' শীর্ষক প্রবন্ধত আলোচনা কৰে। পৰৱর্তী কালত এই গ্রন্থখনি *বঙ্গীয় নাথপন্থৰ প্রাচীন পুথিত* সঙ্কলনতি হয়।

অনাদ্য চৰিত্র গ্রন্থখনি নাথগুৰুৰ প্রতি শ্রদ্ধা সহকাৰে প্রণাম জনাই আৰম্ভ কৰা হৈছে—

"প্রণামহু নত শিৱে নাথ গুৰুৰ চৰণ।
আদি অন্ত নাই তাৰ জীৱন মৰণ।।

নাই তান ৰূপ ৰেখ নাই তান দেয়।
নিকটে আচয় বৰ্ম না জানিয় কেয়।। (ৰ)

.....

নাই আদ্য অনাদ্য না ছিল ধৰ্মেশ্বৰ।

.....

না ছিল চন্দ্ৰ সূৰ্য্য স্বৰ্গে ইন্দ্ৰেশ্বৰ।।
না ছিল আকাশ পাতাল ধৰণী পৱন।
না ছিল অগ্নিপানী না ছিল হুতাশন।।
না ছিল দৰিয়া সাগৰ কুলাকূল।
না ছিল পূৰ্ব-পশ্চিম তিনিকূল।।"

সেই সময়ত অলেকনাথে সত্যযুগ সৃষ্টি কৰাৰ কথা ভাবিলে আৰু নিৰাকাৰ ৰাতিৰ পৰাই দিৱসৰ সৃষ্টি কৰিলে। অলকনাথেই দ্বৈতাদ্বৈতৰ অতীত, অদ্বয় অৱস্থা। নাথগুৰুৰ সঙ্কল্পৰ পৰাই প্ৰথম অনাদি দেহৰ সৃষ্টি হৈছে। *অনাদ্য চৰিত্ৰত* দেহতত্ত্ব, পিণ্ড আৰু ব্ৰহ্মাণ্ডতত্ত্ব, প্ৰণৱ আৰু গায়ত্ৰীতত্ত্ব, নাড়ীতত্ত্ব আৰু সৃষ্টিতত্ত্বৰ তাত্ত্বিক ব্যাখ্যা পোৱা যায়।

অনাদ্য চৰিত্ৰত নাথধৰ্মৰ সৃষ্টিতত্ত্বৰ বিষয়ে বিবৃত কথাখিনি ঋকবেদৰ নাৱদীয় সুক্তৰ অনুৰূপ। অনাদ্য চৰিত্ৰত কল্পাতীত পৱমব্যোমৰ গৰাকীকে অলেকনাথ বা অলখ নিৱঞ্জন বোলা হৈছে। প্ৰাণ শক্তিয়েই সৃষ্টি ব্যঞ্জনাৰ কাৰণ, অনাদি ধৰ্মনাথ। এৱেঁ শিৱ। আদ্যাশক্তিয়েই কাকেতুকা দেৱী, মায়া।

অনাদ্য চৰিত্ৰৰ মতে অনাদি ধৰ্মনাথে মৃত 'গো-ৰূপ' ধাৰণ কৰি নিজ পুত্ৰসকলৰ ওচৰত আবিৰ্ভাৱ হৈ তেওঁলোকৰ পৰীক্ষা কৰিলে। একমাত্ৰ শিৱই পিতৃৰ চলনা বুজি পাই মৃত গো-দেহক যথাবিধি সৎকাৰ কৰিলে। সেই সময়তে অনাদি ধৰ্মনাথৰ বিভিন্ন অঙ্গৰ পৰা অষ্টসিদ্ধা আৰু নৱনাথৰ উৎপত্তি হোৱা বুলি কাব্যখনিত বৰ্ণনা কৰা হৈছে।

মনসা কাব্য ঃ ভৱতবৰ্ষত অতি প্ৰাচীন কালৰে পৰাই সৰ্প পূজাৰ প্ৰচলন আছিল বুলি ধাৰণা কৰিব পাৰি। শুক্ল যজুৰ্বেদ, তৈতিৰীয় সংহিতা, আপস্তম্ভ শ্ৰৌতসূত্ৰ আদিত প্ৰাচীন সৰ্পপূজাৰ আভাস পোৱা যায়।

মনসা কাব্যৰ প্ৰধান উপাস্য দেৱী মনসাৰ প্ৰাচীনত্ব সম্পৰ্কে ক'বলৈ গৈ পণ্ডিতসকলে দুগৰাকী নাৰীৰ উল্লেখ কৰিছে। দুয়োগৰাকী নাৰীয়েই অথৰ্ববেদৰ। ইয়াৰে এগৰাকী হৈছে 'সৰ্পবিদ্যা বিশাৰদা কিৰাত কন্যা' আৰু আন গৰাকী হৈছে সৰস্বতী। অথৰ্ববেদৰ মতে দুয়ো গৰাকীয়েই বিষনাশিনী। পণ্ডিতসকলে অনুমান কৰে যে বৌদ্ধসকলৰ সৰ্প-দেৱী জাঙ্গুলীয়েই কালক্ৰমত মনসা দেৱীলৈ ৰূপান্তৰিত হৈছে।

মনসা শব্দটো গঠিত হৈছে 'মনস্' শব্দৰ তৃতীয়াৰ একবচনত। মনসা হৈছে মনৰ কৰণ বা ক্ৰিয়াৰ প্ৰতীক। মনস্তাত্ত্বিকসকলৰ মতে মানৱ জীৱন কিছুমান মানসিক প্ৰবৃত্তিৰ সমষ্টি। 'মনেই' হৈছে মানুহৰ সবাতোকৈ দ্ৰুত আভ্যন্তৰীণ মানসিক শক্তি। মানুহৰ

দশেন্দ্রিয়ৰ বাহিৰেও স্মৃতি, চেতনা আদিৰ ওপৰতো মনৰ প্রভাৱ দেখা যায়। মনৰ দ্বাৰাই মানৱ জীৱন পৰিচালিত হয়।

সাংখ্য আৰু যোগ দর্শনতো মনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা যায়। মনৰ বৃত্তিসমূহৰ নিৰোধৰ যোগেদিহে জীৱনৰ মুক্তি সম্ভৱ। মনৰ বৃত্তিসমূহৰ বাবেই মানৱ জীৱন অমৃতময় নাইবা বিষময় হ'ব পাৰে। 'মনসা মঙ্গল কাব্য'ত মনসাৰ দুই প্রকাৰৰ দৃষ্টি ফল স্বৰূপে চণ্ডিৰ জীৱনলৈ অহা বিবিধ পৰিৱর্তনৰ উল্লেখ পোৱা যায়। বৌদ্ধ তান্ত্রিকসকলেও মূলাধাৰস্থিত কুণ্ডলিনীকেই জাঙ্গলি ৰূপত উপাসনা কৰে। মনসা কবিসকলেও তোতলা, ব্রহ্মাণী, মনসা, বিষহৰি, পদ্মা আদি বিভিন্ন নামেৰে এইগৰাকী দেৱীৰ গুণানুকীর্তন কৰিছে।

পাণিনিয়ে মনৰ পৰা মনসাৰ উৎপত্তি হোৱা বুলিছে। *অনাদ্য চৰিত্রত* অনাদিৰ হাতৰ পৰাই আদ্যশক্তি তথা কাকেতুকাৰ জন্ম হোৱা বুলিছে।

মনসাৰ আন নাম কেতকা। *অনাদ্য চৰিত্রত* উল্লেখ কৰা মনস্বাই মনসা আৰু কাকেতুকাই কেতুকা হোৱাটো সম্ভৱ। কেত, কেতু, কেতন আদি শব্দৰ অর্থ 'স্ফূৰ-জ্যোতি'।

খ্রীঃ দশম শতিকাৰ পাছত ৰচিত *দেৱী ভাগৱত* আৰু *ব্রহ্মবৈৱর্ত্ত পুৰাণত* মনসা দেৱীৰ জন্মবৃত্তান্ত বিবৃত হৈছে। দুয়োখন পুৰাণৰ মতেই মনসা কাশ্যপ ঋষিৰ মানস কন্যা। সেয়ে তেওঁৰ নাম মনসা।

মনসা সর্পৰ দেৱী, বাসুকীৰ ভগিনী আৰু সর্ববিষ-বিনাশিনী। মনসা দেৱীৰ পূজা পদ্ধতিৰ বিষয়ে সৃষ্টি হোৱা সাহিত্যৰ প্রথম নিদর্শন পোৱা যায় খ্রীঃ পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা।

মনকৰ বিৰচিত মনসা কাব্য তিনিটা খণ্ডত বিভক্ত— সৃষ্টি খণ্ড, হৰ-গৌৰীৰ বিবাহ খণ্ড আৰু পদ্মাজন্ম খণ্ড। কাব্যৰ সৃষ্টি খণ্ডত বর্ণিত বর্ণনাৰ সৈতে *শূন্য পুৰাণ* আৰু অন্যান্য ধর্ম সাহিত্যৰ সৃষ্টিতত্ত্বৰ সাদৃশ্য মন কৰিবলগীয়া। মনকৰৰ সৃষ্টিতত্ত্ব মতে শিৱই পৰমপুৰুষ। আনহাতে ধর্ম দেৱতা আৰু মহাদেৱকো কাব্যখনিত একে কৰি দেখুওৱা যেন লাগে। পণ্ডিতসকলে অনুমান কৰে যে এই সৃষ্টিতত্ত্ব তান্ত্রিক বজ্রযান আৰু শৈৱনাথ সম্প্রদায়ৰ ধর্মমতৰ সংমিশ্রণত উদ্ভৱ হৈছে। *বৃহধর্ম পুৰাণ*তো এনে সৃষ্টিতত্ত্বৰ আভাস পোৱা যায়। মনকৰৰ মনসা কাব্যই ধর্ম আৰু শৈৱনাথ ধর্মমতৰ এটা লুপ্তপ্রায় স্তৰ নির্দেশ কৰা বুলি পণ্ডিতসকলে অনুমান কৰে।

অসমৰ কামৰূপ, গোৱালপাৰা আৰু দৰং জিলাৰ নাথ-যোগীসকলৰ মাজতো মনসা পূজাৰ প্রচলন দেখা যায়। অসমীয়া মনসা কাব্যত দেৱী ৰূপে মনসাৰ মাহাত্ম্য আৰু পূজা-পদ্ধতিৰ বর্ণনা দাঙি ধৰা হৈছে। মনকৰ, দূর্গাবৰ আৰু সুকবি নাৰায়ণদেৱ ৰচিত মনসা কাব্যও পুৰণি অসমত মনসা পূজাৰ প্রচলনৰ আভাস পোৱা যায়। মাৰি-মৰক বিনাশিনী কাৰণে মনসাৰ আন নাম 'মাৰৈ'। অসমৰ বড়ো-কছাৰীসকলৰ মাজতো মাৰৈ পূজাৰ প্রচলন দেখা যায়। মনসা পূজাৰ সৈতে জড়িত দুটি বহিৰঙ্গ অনুষ্ঠান হৈছে

দেওধনি আৰু ওজাপালি। কছাৰীসকলৰ মাজৈ পূজাৰ সৈতে দেওধনী নৃত্য অঙ্গাঙ্গীভাৱে জড়িত। কিন্তু, শাস্ত্রীয় পূজা-পদ্ধতিৰ সৈতে এই দুটা অনুষ্ঠানৰ বিশেষ সম্পর্ক দেখা নাযায়।

কামৰূপত মনসা পূজাৰ সৈতে 'ধর্ম পূজা'ও সংযুক্ত হৈ থকা দেখা যায়। এই পূজাত 'ধর্ম ঘট' বুলি এটি জলপূর্ণ ঘট পূজা কৰি সেই জলেৰে মনসাক স্নান কৰোৱা হয়। মঙ্গলদৈ অঞ্চলত অনুষ্ঠিত মনসা পূজাৰ লগতে ধর্ম দেৱতাৰ নামতো এভাগ পূজা কৰা হয়।

সাধাৰণতে সিজু গছৰ ঠানিত মনসা দেৱীৰ নিবাস বুলি বিশ্বাস কৰা হয়। সেয়েহে মনসা পূজাত সিজু গছৰ ঠানি বিশেষভাৱে প্রয়োজনীয়। *অনাদ্য চৰিত্রত* ধর্ম দেৱতাৰ পিঠিত ঘামৰ পৰাই সিজু গছৰ উৎপত্তি হোৱা বুলি কোৱা হৈছে।

গোৰক্ষবিজয় ঃচর্যাগীতৰ পাছতেই নাথ সাহিত্যৰ উল্লেখযোগ্য গ্রন্থ হৈছে *গোৰক্ষবিজয়*। কেইবাজনো পণ্ডিত বিশেষকৈ, ডিম্বেশ্বৰ নেওগ, ৰাজমোহন নাথ, যতীন্দ্রনাথ গোস্বামী, সত্যেন্দ্রনাথ শর্মা, পৰীক্ষিত হাজৰিকা আদিয়ে *গোৰক্ষবিজয়, মীন চেতন* আদিক অসমীয়া নাথ সাহিত্য হিচাপে আলোচনা কৰিছে। দীনেশ চন্দ্র সেনেও এইসমূহ সাহিত্যক 'নাথ গীতিকা' আখ্যা দিছে। শশীভূষণ দাশগুপ্ত, কল্যাণী মল্লিক, প্রবোধ চন্দ্র বাগচী, পঞ্চানন মণ্ডল, পীতাম্বৰ দত্ত বড়থাল, হৰপ্রসাদ, শাস্ত্রী, সুকুমাৰ সেন, ৰামেশ্বৰ পাল আদি পণ্ডিতৰ লগতে হাজাৰী প্রসাদ দ্বিবেদী, প্রফুল্ল চৰণ চক্রৱর্তী, বেণীমাধৱ বৰুৱা, ৰাধাগোবিন্দ নাথ, নলিনীকান্ত ভট্টশালী আদি অন্যান্য ভাৰতীয় পণ্ডিতৰ আলোচনাতো *গোৰক্ষবিজয়, মীন চেতন, গোপীচন্দ্রৰ গীত* আদিয়ে 'নাথ সাহিত্য' হিচাপে ঠাই পাইছে।

গোৰক্ষবিজয় বা *মীন চেতন* কাব্যৰ বিষয়বস্তু হৈছে, 'কদলী ৰাজ্যত নাৰী-মায়াপাশত আৱদ্ধ মীননাথক তেওঁক শিষ্য গোৰক্ষনাথে উদ্ধাৰ কৰাৰ কাহিনী'। *মীন চেতনৰ* অর্থই হৈছে আত্মাৰ চৈতন্য। এই চৈতন্যৰ দ্বাৰা গোৰক্ষনাথে কামিনী প্রেমমত্ত নিজগুৰুৰ আত্মাৰ চৈতন্য পুনৰসঞ্চাৰ কৰাৰ কথাকেই বুজাইছে যেন ধাৰণা হয়।

গোৰক্ষবিজয় গ্রন্থখনিত ইছলামীয় শব্দৰ প্রচুৰ প্রয়োগে এই কথা দৃঢ়তাৰে প্রতীয়মান কৰায় যে গীতসমূহ জাতি-বর্ণ নির্বিশেষে সকলোৰে মাজত জনপ্রিয় আছিল। নাথ সম্প্রদায়ৰ সাহিত্যৰাজি প্রায়বোৰ আধুনিক ভাৰতীয় আর্য্য ভাষাৰ সৈতে ঘনিষ্ঠভাৱে সম্পর্কীত। *গোৰক্ষবিজয়* পুথিখনি আৰম্ভ কৰিছে এনেদৰে—

'প্রথমে প্রণাম কৰি নিৰাকাৰ গোঁসাই।
তুমি বিনে ত্রিভূৱনে আৰু কেহ নাই।
মন দিয়া কহ শুনি দ্বিজ মিশ্র বাণী।
ৰচি আছে গোৰক্ষ বিজয় তত্বৰ কাহিনী।।"

গোৰক্ষবিজয়ত মহাদেৱৰ বিভিন্ন অঙ্গৰ পৰা চাৰিসিদ্ধৰ জন্ম-কাহিনী বিবৃত হৈছে—

"শ্রীগুৰু ভজিয়া সিদ্ধ মহাদেৱ হইল।
তাহাৰ অনন্তভাৱে কেহ নাজানিল।
মহাদেৱৰ অঙ্গে চাৰিসিদ্ধ যে জন্মিল।
দেৱীৰ চক্রেতে তাৰা মতিভ্রম হইল।
হস্তহতে হাড়ীপাই কর্ণেতে কানপাই।
জটা হতে গোর্খ হয় নাসিকাই মীনাই।"

হৰ-গৌৰীয়ে কৈলাশত থকা সময়তে এবাৰ গৌৰীয়ে মহাদেৱক অনুৰোধ ক�ৰিলে যাতে সিদ্ধসকলে বিয়া-বাৰু কৰাই সংসাৰধর্ম পালন কৰে। তেতিয়া মহাদেৱে সিদ্ধসকল কাম-ক্রোধ ৰহিত বাবে তেওঁলোকৰ সংসাৰ কৰাৰ প্রয়োজন নাই বুলি ক'লে। মহাদেৱৰ কথা শুনি পার্বতীয়ে তেওঁলোকৰ পৰীক্ষা লোৱাৰ অভিপ্রায় প্রকাশ কৰিলে। তেতিয়া শিৱই যোগৰ বলেৰে সিদ্ধসকলক আমন্ত্রণ জনালে আৰু দেৱীয়ে ভুৱনমোহিনী ৰূপ ধাৰণৰ কৰি সিদ্ধসকলক আহাৰ পৰিৱেশন কৰিলে। দেৱীৰ ৰূপ দেখি গোৰক্ষনাথৰ বাহিৰে সকলোবোৰ সিদ্ধ মুগ্ধ হ'ল আৰু তেওঁলোকৰ মনত নানান অভিলাস জাগি উঠিল। *গোৰক্ষবিজয়ত* আছে—

"দেৱীৰ যে ৰূপ দেখি যত সিদ্ধগণ।
কামবানে ভেদিলেক স্থিৰ নোহে মন।।
দেৱীয়ে কৰিল মায়া বিবিধ প্রকাৰে।
বিষম কপট মায়া কে বুজিতে পাৰে।।
.....
কল্পিলেক মীননাথ মনে আশ কৰি।
ত্রিজগতে পাই যদি এমন সুন্দৰী।।
বিচিত্র শয়নে থাকি অমনে নাৰী লই।
ৰঙ্গ কতুকে তৰে ৰমন গোঞাই।।
এৰমন্ত বলি দেৱী দিলা এহি বৰ।
কদলিৰ ৰাজা হইবা বাটে জাও চলি।
তবে মন চিন্তিলেক হাড়ীপা সিদ্ধাই।
এমন সুন্দৰী তবে আমি যদি পাই।।"

দেৱীৰ শাপানুসাৰে মীননাথ কদলী দেশত ৰাণী মঙ্গলাৰ প্রণয়পাশত আবদ্ধ হৈ যোগজ্ঞান ভ্রষ্ট হয়। মীননাথৰ শিষ্য গোৰক্ষনাথে তেওঁক পুনৰ পূর্বৰ মার্গলৈ ওভোটাই আনে।

গোৰক্ষবিজয়ৰ মতে কানুপাই নিজ গুৰুৰ অন্বেষণত ঘূৰি ফুৰোঁতে কদলী ৰাজ্যত মীননাথৰ পতনৰ সম্ভেদ পাই গোৰক্ষনাথক জনায়। গোৰক্ষনাথে নর্তকীৰ বেশ ধাৰণ কৰি কদলী নগৰত প্রৱেশ কৰিলে আৰু মাদলৰ সঙ্কেতেৰে নৃত্য কৰি যোগ-ব্যাখ্যা কৰিবলৈ ধৰিলে।

মীননাথে যোগৰ সঙ্কেত পাই পুলকিত হ'ল আৰু নিজৰ ভুল উপলব্ধি কৰিলে—

"মীনে বলে শুন পুত্ৰ যতি গোৰখাই।
পড়িয়াছি কদলিৰ ভোলে কিৰূপে ত্ৰাণ পাই।।"

তেতিয়া গোৰক্ষনাথে মীননাথক মায়া-মোহ ত্যাগ কৰিবলৈ ক'লে। যোগহীন জীৱন তেলহীন প্ৰদীপ নাইবা জলহীন মৎস্যৰ দৰেই অসাৰ্থক। গতিকে সংসাৰৰ মায়ামোহ ত্যাগ কৰি 'যোগ সাধন' কৰিব লাগে। প্ৰথম অৱস্থাত শৰীৰৰ অৱশতাৰ বাবে মীননাথে যোগসাধনৰ বাবে অপাৰগতা প্ৰকাশ কৰিলে যদিও শেষত নিজৰ ভুল উপলব্ধি কৰি পুনৰ যোগ মাৰ্গলৈ ঘূৰি আহিল।

"কহিতে কহিতে গোৰ্খ হাতে দিল তুড়ি।
উঠি গেল মীননাথ ৰাজ্যপাট এৰি।।"

*গোৰক্ষবিজয়*ত কদলী ৰাজ্যৰ যি বৰ্ণনা পোৱা যায়, তাৰ পৰা নিশ্চিতভাৱে ধাৰণা কৰিব পাৰি যে 'কদলী ৰাজ্য' নাথ-যোগী ৰাজ্য আছিল। গোৰক্ষনাথে যোগৰ বলেৰে শূন্যপথেৰে আহি এজোপা বকুল গছৰ তলত আশ্ৰয় লওঁতে এগৰাকী যোগিনীয়ে তেওঁক প্ৰণয়-পাশত আবদ্ধ কৰিবলৈ চেষ্টা কৰাৰ কথাও উক্ত গ্ৰন্থত পোৱা যায়।

কদলী ৰাজ্যৰ লোকসকল যে নাথধৰ্মত বিশ্বাসী যোগীজাতিৰ লোক আছিল, তাৰ একাধিক প্ৰমাণ গ্ৰন্থখনিত পোৱা যায়।

গোৰক্ষবিজয় গ্ৰন্থখনি যোগ-বিষয়ক তাত্ত্বিক আলোচনাৰে পৰিপূৰ্ণ। বহু ঠাইত ৰূপক আৰু উপমাৰ জৰিয়তে এনে ব্যাখ্যা দাঙি ধৰা হৈছে—

"জল না থাকিলে গুৰু কোথা জীয়ে মাছ।
শিকড় কাটিলে বাপু উপাড়য়ে গাছ।।
জ্ঞান ছড়ি পাইলা তুমি কদলীৰ মাথা।
আগে লাগে মিঠা বাপু পাছে লাগে তিতা।।
ভাল কয় গোৰ্খনাথ-লয় মোৰ মন।
যোগ সাধন কৰ-শুন স্বৰূপ বচন।।"

সাহিত্যিক দিশৰ পৰাও গ্ৰন্থখনি কম গুৰুত্বপূৰ্ণ নহয়।

মীন চেতন ঃ কবি শ্যামদাস সেন ৰচিত *মীন চেতন*নামৰ পুথিখনি নলিনীকান্ত ভট্টশালীৰ দ্বাৰা সম্পাদিত হৈ 'ঢাকা সাহিত্য পৰিষদ'ৰ পৰা প্ৰকাশিত হৈছে।

মীন চেতন গ্ৰন্থৰ কাহিনীভাগ *গোৰক্ষবিজয়*ৰ সৈতে একেই। পাৰ্বতীৰ অভিশাপত মীননাথ কদলী ৰাজ্যত যোগভ্ৰষ্ট হোৱা আৰু গোৰক্ষনাথে তেওঁৰ আত্মাত চৈতন্য জাগ্ৰত কৰা ঘটনাটিৰ আলমতেই *মীন চেতন*ৰ কাহিনীটি নিৰ্মিত হৈছে। আদৰ্শভ্ৰষ্ট হ'লে যে মহাসিদ্ধ যোগীৰো পতন হ'ব পাৰে, মীননাথৰ পতনৰ যোগেদি উক্ত কাব্যত সেই কথাই বিবৃত হোৱা যেন লাগে। গ্ৰন্থখনিত আনুষঙ্গিকভাৱে নাথধৰ্মৰ তত্ত্ব আৰু কায়াসাধনৰ তাৎপৰ্য আলোচিত হৈছে। *মীন চেতন*ৰ অৰ্থ হৈছে 'আত্মাৰ চৈতন্য'।

মীননাথৰ শিষ্য গোৰক্ষনাথে কায়াসাধন আৰু মহাজ্ঞানৰ সঙ্কেত দি যি যোগতত্ত্ব ব্যাখ্যা কৰিছিল, তাৰ ফলতেই পতনমুখী গুৰুৰ পুনৰুদ্ধাৰ সম্ভৱ হৈছিল।

মনৰ চঞ্চলতাই সাংসাৰিক ক্লেশৰ ঘাই কাৰণ। মীননাথ চঞ্চল চিত্তৰ অধীন হোৱাৰ বাবেই কদলী ৰাজ্যৰ মায়াত আৱদ্ধ হ'বলীয়া হৈছিল। গোৰক্ষনাতে তেওঁক চিত্তৰ চঞ্চল বৃত্তি নিৰোধ কৰিবলৈ উপদেশ দিছিল। এই চিত্তবৃত্তি নিৰোধ কাৰ্যই 'যোগ'। সাংসাৰিক ক্লেশৰ পৰা হাত সাৰিবলৈ হ'লে যোগেই হৈছে একমাত্ৰ শ্ৰেষ্ঠ পন্থা। গোৰক্ষনাথৰ উপদেশত মীননাথে মহাজ্ঞান ঘূৰাই পাইছিল আৰু তেওঁৰ আত্মাত চেতনাৰ সঞ্চাৰ হৈছিল বাবেই আলোচ্য গ্ৰন্থখনিৰ নাম *মীন চেতন*।

ময়নামতীৰ গান ঃ *গোৰক্ষবিজয়* আৰু *মীন চেতনৰ* দৰেই 'ময়নামতীৰ গানো' নাথ সম্প্ৰদায়ৰ সাহিত্যৰ উল্লেখযোগ্য নিদৰ্শন। *ময়নামতীৰ গানৰ* কেইবাটাও পাণ্ডুলিপি প্ৰকাশিত হৈছে। গ্ৰীয়াৰ্চনে ত্ৰিপুৰাৰ কোনো এজন নাথ-যোগীৰ মুখেদি *ময়নামতীৰ গানৰ* কাহিনীভাগ শুনি 'মাণিকচন্দ্ৰ ৰাজাৰ গান' নামেৰে এচিয়াটিক ছ'ছাইটিৰ পত্ৰিকাত প্ৰকাশ কৰে। অনুৰূপভাৱে, বিশ্বেশ্বৰ ভট্টাচাৰ্য্যই ৰংপুৰ জিলাৰ কোনো এচিয়াটিক ছ'ছাইটিৰ পত্ৰিকাৰত প্ৰকাশ কৰে। অনুৰূপভাৱে, বিশ্বেশ্বৰ ভট্টাচাৰ্য্যই ৰংপুৰ জিলাৰ কোনো নাথযোগীৰ মুখেদি শুনি *ময়নামতীৰ গানৰ* এটি সংগ্ৰহ 'বঙ্গীয় সাহিত্য পৰিষদ পত্ৰিকা'ত প্ৰকাশ কৰি উলিয়ায়। *ময়নামতীৰ গানৰ* আন এটি সংকলন নলিনীকান্ত ভট্টশালীয়ে 'ঢাকা সাহিত্য পৰিষদ'ৰ পৰা প্ৰকাশ কৰি উলিয়ায়। গীতসমূহ ভবানীদাস ৰচিত আৰু ত্ৰিপুৰাৰ অন্তৰ্গত কুমিল্যাৰ পৰা সংগৃহীত।

ময়নামতীৰ গানৰ বিষয়বস্তু আপেক্ষিকভাৱে প্ৰাচীন হ'লেও ইয়াৰ ভাষা কিছু পৰিমাণে অৰ্বাচীন। *গোৰক্ষবিজয়, শূন্য পুৰাণ, ডাকৰ বচন* আদিৰ ভাষাৰ সৈতে *ময়নামতীৰ গানৰ* ভাষাৰ মিল দেখা যায়। গীতৰ ৰচকসকল আপেক্ষিকভাৱে আধুনিক কালত জন্মিলেও তেওঁলোকৰ মনৰ পৰা পৰম্পৰাগত ধ্যান-ধাৰণা, সংস্কাৰ আদি আঁতৰ হোৱা নাছিল যেন অনুমান হয়। সঙ্কলিত গীতসমূহ হয়তো তিনি চাৰিশ বছৰৰ আগৰ নহয়, কিন্তু, পৰম্পৰা ৰূপত ই জনসমাজত দীৰ্ঘদিন ধৰি চলি অহা বাবে ইয়াত অতীত যুগৰ চিন্তা-মনীষাৰ সংযোগ ঘটিছে যেন অনুমান হয়।

কামৰূপত তান্ত্ৰিক ধৰ্মৰ প্ৰচলনৰ সময়ছোৱাত *ময়নামতীৰ গান* ৰচিত হোৱা যেন অনুমান হয়। গীতত তন্ত্ৰ-মন্ত্ৰ, আলৌকিক শক্তি আদিৰ প্ৰতি জনসাধাৰণৰ অটল বিশ্বাসৰ পৰিচয় পোৱা যায়। প্ৰায়বোৰ আধুনিক ভাৰতীয় আৰ্য্য ভাষাৰে দশম-দ্বাদশ শতিকাৰ ভিতৰত ৰচিত হোৱা মৌখিক সাহিত্যৰাজিত ডাইনী, পুৰোহিত আৰু সিদ্ধসকলৰ অলৌকিক কাহিনীৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

ময়নামতীৰ গান নিৰক্ষৰ চহা কবিৰ ৰচনা হ'লেও ই সাহিত্যিক গুণেৰে পৰিপূৰ্ণ। গীতৰ ভাষা সিমান সাৱলীল আৰু মাৰ্জিত নহ'লেও আপেক্ষিক সংক্ষিপ্ততা আৰু প্ৰকাশভঙ্গীৰ সৰলতা গীতসমূহ বিদ্যমান।

*ময়নামতীৰ গান*ত নাৰী-স্বাধীনতাৰ আভাস পোৱা যায়। বিবাহত যৌতুক প্ৰথাৰ প্ৰচলন আছিল যেন অনুমান হয়।

নাথ সাহিত্যত ময়নামতীক 'তান্ত্ৰিক-যোগিনী' হিচাপে চিত্ৰিত কৰা হৈছে। ময়নামতী অতি আধ্যাত্মিক গুণসম্পন্ন নাৰী আছিল। তেওঁ আছিল মাণিকচন্দ্ৰৰ পত্নী আৰু ৰজা গোবিন্দচন্দ্ৰৰ বা গোপীচন্দ্ৰৰ মাতৃ। ময়নামতীৰ বাল্যকালৰ নাম আছিল শিশুমতী। ময়নামতীয়ে অতি কম বয়সতে গোৰক্ষনাথৰ শিষ্যত্ব গ্ৰহণ কৰি নাথধৰ্ম অৱলম্বন কৰিছিল।

পৰম ভোগবিলাসী ৰজা মাণিকচন্দ্ৰই বৃদ্ধ বয়সত পুনৰ বিবাহপাশত আবদ্ধ হৈ নৱ-বিবাহিতা পত্নীসকলৰ সৈতে ময়নামতীৰ বিবাদৰ বাবে তেওঁক ৰাজ্যৰ পৰা আঁতৰাই 'ফেৰুসা নগৰ'ত থাকিবলৈ দিয়ে। ময়নামতীয়ে যোগৰ বলেৰে 'ৰজাৰ জীৱনৰ অন্তিকাল' উপস্থিত হোৱা বুলি জানিব পাৰি স্বামীৰ প্ৰাণৰক্ষাৰ কাৰণে চেষ্টা কৰে। কিন্তু, ময়নামতীৰ পৰা মহাজ্ঞান গ্ৰহণ কৰি জীৱন ৰক্ষা কৰিবলৈ মাণিকচন্দ্ৰ অসন্মত হ'ল আৰু মৃত্যুক আঁকোৱালি ল'লে।

মাণিকচন্দ্ৰৰ মৃত্যুৰ পাছত ময়নামতীৰ এটি পুত্ৰ জন্ম হয়। তেওঁৰ নাম ৰখা হয় গোপীচন্দ্ৰ। ময়নামতীয়ে গোপীচন্দ্ৰক সিংহাসনত বহুৱাই নিজে ৰাজকাৰ্য পৰিচালনা কৰে আৰু পুতেকে যৌৱনত পদাৰ্পণ কৰাত অদুনা আৰু পদুনাৰ সৈতে বিয়া পাতি দিয়ে।

বিয়াৰ পাছত ৰজা গোপীচন্দ্ৰই পৰম আসক্তিৰে নৱ-বিবাহিতা পত্নীসকলৰে সৈতে ভোগী জীৱন যাপন কৰাত মাকে পুতেকক আসন্ন মৃত্যুৰ পৰা ৰক্ষা কৰিবলৈ বাৰ বছৰৰ বাবে সন্ন্যাস গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিলে। কিন্তু গোপীচন্দ্ৰই মাতৃৰ এনে আজ্ঞা পালন কৰিবলৈ টান পালে আৰু মাকৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে।

শেষত সাংসাৰিক মায়া-মোহৰ অসাৰতা সম্পৰ্কে প্ৰত্যয় জন্মাত গোপীচন্দ্ৰই সন্ন্যাস গ্ৰহণ কৰিবলৈ মান্তি হ'ল। তেওঁ মাতৃৰ পৰা নানান আধ্যাত্মিক প্ৰশ্নৰ উত্তৰ বিচাৰিলে আৰু ৰাণীসকলৰ মন্ত্ৰণা অনুসৰি ময়নামতীৰ জ্ঞান আৰু যোগ-সিদ্ধিৰ পৰীক্ষাও ল'লে। ময়নামতী এই সকলোবোৰতে হেলাৰঙে উত্তীৰ্ণ হোৱাত গোপীচন্দ্ৰৰ মাতৃৰ কথাত বিশ্বাস জন্মিল আৰু হাড়িপাৰ শিষ্যত্ব গ্ৰহণ কৰিলে।

ময়নামতীৰ গান মৌখিক সাহিত্যৰ অন্তৰ্গত হ'লেও ইয়াৰ পুৰাতাত্ত্বিক সত্যতা আছে। *ময়নামতীৰ গান*ত 'মেহেৰকুল' আৰু 'পতিকেৰা' নগৰৰ উল্লেখ পোৱা যায়। এই দুই ঠাইৰ সৈতে ময়নামতীৰ নাম জড়িত। ত্ৰিপুৰাত ময়নামতীৰ নামত এটি পাহাৰো আছে।

ময়নামতী এগৰাকী অত্যন্ত প্ৰভাৱশালী ৰমণী আছিল আৰু তেওঁৰ একান্ত প্ৰচেষ্টাতে গোপীচন্দ্ৰই সন্ন্যাস গ্ৰহণ কৰি যোগী হৈছিল। ময়নামতীয়ে গোৰক্ষনাথ প্ৰদত্ত মহাজ্ঞানৰ জৰিয়তে অলৌকিক ক্ষমতা লাভ কৰিছিল। আনকি যমদেৱতা, মহাদেৱ আদিয়েও তেওঁক সমীহ কৰি চলিছিল।

গোপীচন্দ্ৰৰ গীতঃ *গোপীচন্দ্ৰৰ গীত*ৰ ভালেকেইটা সঙ্কলন বৰ্তমানে প্ৰকাশ হৈ ওলাইছে। এনে গীতৰ ভিতৰত ভবানী দাস ৰচিত 'গোপীচন্দ্ৰৰ পাঁচালী', সুকুৰ মামুদ ৰচিত 'গোপীচন্দ্ৰৰ সন্ন্যাস' আৰু দুৰ্লভ মল্লিকৰ *গোপীচন্দ্ৰৰ গীত* আদি অন্যতম। দুৰ্লভ মল্লিক বিৰচিত 'গোপীচন্দ্ৰৰ পাঁচালী' নলিনীকান্ত ভট্টশালী আৰু বৈকুণ্ঠনাথ দাসৰ সম্পাদনাত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা 'গোপীচন্দ্ৰৰ গান' প্ৰকাশ পায়। 'গোপীচন্দ্ৰৰ গান', 'গোপীচন্দ্ৰৰ সন্ন্যাস' আৰু 'গোপীচন্দ্ৰৰ পাঁচালী' দুই খণ্ডত 'গোপীচন্দ্ৰৰ গান' নামেৰে দীনেশ চন্দ্ৰ সেন, বসন্ত ৰঞ্জন ৰায় আৰু বিশ্বেশ্বৰ ভট্টাচার্য্যৰ সম্পাদনাত প্ৰকাশিত হয়। আশুতোষ ভট্টাচার্য্যৰ দ্বাৰা এই গ্ৰন্থ সংশোধিত হৈ পুনৰ প্ৰকাশ লাভ কৰে।

ঐতিহাসিক দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে গোবিন্দচন্দ্ৰ বা গোপীচন্দ্ৰ এজন ৰজা আছিল, যি অতি কম বয়সতে বৈৰাগ্যক আঁকোৱালি লৈছিল। ৰাণী ময়নামতীৰ চেষ্টাতে নবীন নৃপতিয়ে যোগী জীৱন যাপন কৰাৰ কৰুণ কাহিনীভাগক লৈয়েই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰাদেশিক ভাষাত নানান মৌখিক সাহিত্যৰ সৃষ্টি হৈছে।

গোপীচন্দ্ৰ ৰজা মাণিকচন্দ্ৰ আৰু ময়নামতীৰ পুত্ৰ আছিল। মাণিকচন্দ্ৰ চন্দ্ৰবংশীয় ৰজাৰ বংশধৰ বুলি অনুমান কৰা হৈছে। এই বংশৰ ৰজাসকল বৌদ্ধ আছিল যদিও পাছত শৈৱ ধৰ্মত দীক্ষিত হয়। ময়নামতীয়ে সৰুতেই গোৰক্ষনাথৰ শিষ্যত্ব গ্ৰহণ কৰি নাথ ধৰ্ম গ্ৰহণ কৰে। কিছুদিনৰ আগতে লোকনাথ আৰু মৰুগুনাথৰ তাম্ৰফলিৰ পৰা সামন্ত ৰজাসকলৰ বিষয়ে কিছু কথা জানিব পৰা গৈছে।

*গোপীচন্দ্ৰৰ গীত*ৰ বিভিন্ন প্ৰতিলিপিত ইয়াৰ অভ্যন্তৰীণ ঘটনাৰাজি কিছু পৃথক ৰূপত দেখিবলৈ পোৱা যায়। গ্ৰীয়াৰ্চন সংগৃহীত তথা ভবানীদাস ৰচিত গীতত মাণিকচন্দ্ৰ ৰজাৰ পূৰ্বপুৰুষৰ কোনো পৰিচয় পোৱা নাযায়। ৰংপুৰৰ কাহিনী মতে ৰজা মাণিকচন্দ্ৰ বৃদ্ধ বয়সত সংসাৰৰ প্ৰতি অধিক আসক্ত হয় আৰু নৱ-বিবাহিতা পত্নীসকলৰ সৈতে যাতে কাজিয়াৰ সূত্ৰপাত নহয়, সেই উদ্দেশ্যে ময়নামতীক ৰাজধানীৰ পৰা আঁতৰাই 'ফেৰুসা নগৰ'ত থাকিবলৈ দিয়ে। মাণিকচন্দ্ৰ ৰজাৰ ৰাজত্বকালৰ প্ৰথম সময়ছোৱাত প্ৰজাৰ সুখ-শান্তিৰ সীমা নাছিল। কিন্তু, দক্ষিণৰ পৰা অহা এজন নতুন দেৱানৰ জৰিয়তে প্ৰজাৰ ওপৰত ধাৰ্য কৰা বৰ্দ্ধিত কৰৰ বাবে প্ৰজাৰ দুখ-দুৰ্গতি দিনক-দিনে বৃদ্ধি পাবলৈ ধৰিলে। এনে অৱস্থাত কৃষকে হালৰ গৰু, সদাগৰে নৌকা আনকি ফকীৰ ঝোলা পৰ্যন্ত বিক্ৰী কৰিবলগীয়া হ'ল। তেতিয়া প্ৰজাসাধাৰণে পৰামৰ্শ কৰি ৰজাক অভিশাপ দিয়াটো ঠিক কৰিলে। ফলত ৰজাৰ পৰমায়ু হ্ৰাস পালে।

গীতৰ মতে প্ৰজাসাধাৰণে নদীতীৰত ধৰ্ম পূজা কৰি ৰজাক অভিশাপ দিয়া বাবেই ৰজা মাণিকচন্দ্ৰৰ মৃত্যু হৈছিল। এই ধৰ্মই অনাদি ধৰ্ম নাথ, স্বয়ং শিৱ।

মাণিকচন্দ্ৰ ৰজাৰ মৰণকাল উপস্থিত হোৱাত বিধাতাৰ নিৰ্দেশ অনুসৰি যমদূতে প্ৰাণ বচাবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁৰ চেষ্টাই কাম নিদিলে। ময়নামতীয়ে গঙ্গাৰ মুখেদি স্বামীৰ মৃত্যুৰ সংবাদ পাই মৃত্যু-দেৱতা যমক অশেষ নিৰ্যাতন দিলে। শেষত গোৰক্ষনাথৰ মধ্যস্থতাত এটি পুত্ৰলাভৰ বৰ লৈ ময়নামতী স্বগৃহলৈ উভটি আহিল।

গৃহলৈ উভটি আহি ময়নামতীয়ে স্বামীৰ লগতে একেখন চিতাতে আৰোহণ কৰিলে। কিন্তু, যোগৰ বলত অক্ষত অৱস্থাৰে স্বামীৰ অন্তেষ্টিক্ৰিয়া সমাপন কৰি ময়নামতী গৃহলৈ ঘূৰি আহিল।

দেৱতাৰ বৰ অনুসৰি যথা সময়ত ময়নামতীৰ এটি পুত্ৰ জন্ম হ'ল। সন্তানটিৰ নাম ৰখা হ'ল গোপীচন্দ্ৰ। ময়নামতীৰ গীতত এই বিষয়ে নানান সৰু বৰ কাহিনী পোৱা যায়।

গোপীচন্দ্ৰৰ শিক্ষাৰ অন্তত বিবাহৰ আয়োজন কৰা হ'ল। বিয়াৰ পাছতেই আদেশ অনুসৰি গোপীচন্দ্ৰ সন্ন্যাসী হ'বলগীয়া হ'ল। শেষত, শুভ দিন-বাৰ চাই ময়নামতী আৰু সিদ্ধসকলৰ সাক্ষাতত গোপীচন্দ্ৰক যোগী কৰা হ'ল।

"পুত্ৰ যোগি কৰিবেন মএনামন্তি বাই।
নাপিত আনিয়া ৰাজাৰ মস্তক মুড়িল।।"

গোপীচন্দ্ৰক কৰ্ণচ্ছেদ কৰি কৌপিন পিন্ধাই হাড়ীৰ ওচৰত সাক্ষাৎ কৰোৱা হ'ল। হাড়ীৰ আদেশত গোপীচন্দ্ৰই মাতৃ আৰু পত্নীসকলৰ ওচৰত ভিক্ষা বিচাৰিলে। তাৰ পাছতেই গোপীচন্দ্ৰ হাড়ীত সৈতে সন্ন্যাসলৈ ওলাল। বাটত হাড়ীয়ে ৰজাক নানান কষ্ট দিবলৈ ধৰিলে। অৱশেষত হীৰানটীৰ ওচৰত গোপীচন্দ্ৰক বন্ধক দি হাড়ীপা যোগাসনত বহিল। হীৰানটীয়ে গোপীচন্দ্ৰৰ ওচৰত প্ৰেমভিক্ষা কৰি ব্যৰ্থ হৈ তেওঁক নানান নিৰ্যাতন দিবলৈ ধৰিলে।

এনেদৰেই বহুদিন পাৰ হৈ গ'ল। গোপীচন্দ্ৰৰ কোনো খবৰ-বাতৰি নাপাই ৰাণীসকল অতীষ্ঠ হৈ পৰিল। তেওঁলোকৰ নিৰ্দেশত গৃহপালিত শুকপখীয়ে গোপীচন্দ্ৰৰ অনুসন্ধান কৰি শেষত নদীৰ ঘাটত লগ পাই অন্তেষপুৰৰ সংবাদ দিলে। ৰজায়ো নিজৰ ৰক্তেৰে দুখন চিঠি লিখি পখীদ্বয়ৰ হাতত প্ৰেৰণ কৰিলে। গোপীচন্দ্ৰৰ চিঠি পাই ময়নামতীয়ে হাড়ীপাক যোগেৰে সঙ্কেত দিলে আৰু হাড়ীয়ে হীৰানটীৰ হাতৰ পৰা গোপীচন্দ্ৰক উদ্ধাৰ কৰিলে।

ৰাজ্যলৈ ওভোটাৰ পথত হাড়ীয়ে ৰজাক নানান জ্ঞান দিবলৈ ধৰিলে। এনে জ্ঞানৰ ভিতৰত যোগ, দেহতত্ত্ব আদিয়েই প্ৰধান। ৰজাৰ জ্ঞানৰ পৰীক্ষাও হ'ল। পাছত ময়নামতী আৰু ৰাণীসকলৰে সৈতে গোপীচন্দ্ৰৰ মিলন হ'ল। ৰজাৰ আগমনত ৰাজধানীত আনন্দ সোঁত ব'বলৈ ধৰিলে। প্ৰজাৰ খাজনা পুনৰ কমাই দিয়া হ'ল। দেশত সুখ-সমৃদ্ধি বৃদ্ধি পালে।

*গোপীচন্দ্ৰৰ গীত*ৰ পাণ্ডুলিপিৰ ভিন্নতা অনুসাৰে ইয়াৰ মূল কাহিনীভাগৰো ভিন্নতা পৰিলক্ষিত হয়। ৰংপুৰৰ পৰা সংকলিত গীতত গোপীচন্দ্ৰৰ ৰাণীসকলৰ ভিতৰত অদুনা আৰু পদুনাৰ উল্লেখ পোৱা যায়। ভৱানীদাসৰ সংকলনত এই দুগৰাকী ৰাণীৰ বাহিৰেও ৰত্নমালা, কাঞ্চনমতী আদিৰ নাম পোৱা যায়। সুকুৰ মামুদৰ গীতত অদুনা-পদুনাৰ লগতে চন্দনা আৰু ফন্দনাৰো উল্লেখ পোৱা যায়। সেইদৰে, দুর্ল্লভ মল্লিকৰ গ্ৰন্থত গোপীচন্দ্ৰই সন্ন্যাসৰ পৰা ঘূৰি আহি হাড়ীপাক মাটিৰ তলত পুতি থোৱাৰ উল্লেখ পোৱা যায়। এনে উল্লেখ তিব্বতীয় গাঁথা আৰু সুকুৰ মামুদৰ গীততো পোৱা যায়।

*গোপীচন্দ্রৰ গীত*ৰ সংঘটিত ভৌগোলিক সংস্থান সম্পর্কতো কিছু প্রভেদ লক্ষ্য কৰা যায়। গ্রন্থসমূহৰ অন্তৰঙ্গ প্রমাণৰ ওপৰত ভিত্তি কৰি অনুমান কৰিব পাৰি যে গোপীচন্দ্র মেহেৰকুলৰ ৰজা আছিল। ভবানী দাসৰ গীতৰ বিভিন্ন স্থানত মেহেৰকুলৰ উল্লেখ পোৱা যায়। এনে উল্লেখ সুকুৰ মামুদৰ গীততো আছে। দুর্ল্লভ মল্লিকৰ গীত মতে গোপীচন্দ্রৰ ৰাজধানী 'পাটিকা নগৰ'।

ভবানী দাস আৰু সুকুৰ মামুদে যি মেহেৰকুল নগৰৰ বর্ণনা কৰিছে, সেয়া লালমাই পর্বতৰ অংশবিশেষ— আধুনিক 'ময়নামতী পাহাৰ' বুলিয়েই অনুমান কৰা হৈছে। এই ঠাইত আৱিষ্কৃত ভগ্নাৱশেষসমূহক প্রত্নতাত্ত্বিকসকলে 'ময়নামতী আৰু গোপীচন্দ্রৰ বাসস্থানৰ ভগ্নাৱশেষ' বুলিছে। এই পাহাৰত বহুতো প্রাচীন দেৱালয়ৰ ভগ্নাৱশেষ আৱিষ্কৃত হৈছে। উল্লেখযোগ্য যে, এই পাহাৰৰ দাঁতি-কাষৰীয়া অঞ্চলত এতিয়াও বহুতো যোগী জাতিৰ লোকে বসবাস কৰে।

ময়নামতী পাহাৰত আৱিস্কৃত হোৱা ৰণবঙ্কমলৰ তাম্রশাসনত 'পট্টিকেৰা নগৰ'ৰ নাম পোৱা যায়। চন্দ্রবংশীয় ৰজা শ্রীচন্দ্রদেৱৰ তাম্রশাসনতো 'ৰোহিতগিৰি ভূজাং' অর্থাৎ ৰোহিতগিৰিৰ উল্লেখ পোৱা যায়। এই ৰোহিতগিৰিয়েই 'লালমাই পর্বত'ৰ সংস্কৃত নাম হোৱাতো সম্ভৱ। *গোপীচন্দ্রৰ গীতত* কৰতোৱা নদীৰ উল্লেখ পোৱা গৈছে। *কলিকা পুৰাণ*ৰ মতে কৰতোৱা নদী পুৱণি কামৰূপৰ সীমা নির্দ্ধাৰণ আছিল।

নাথপন্থী যোগীসকলে ৰজা গোপীচন্দ্র, মাণিকচন্দ্র, গোৰক্ষনাথ আৰু মীনা নাথৰ কীর্তি কাহিনীসমূহ গাই গাই দেশ-দেশান্তৰ পৰিভ্রমণ কৰিছিল। গ্রীয়ার্চনে এনে পৰিব্রাজক যোগীৰ মুখৰ পৰাই 'মাণিকচন্দ্র ৰাজাৰ গান' সংগ্রহ কৰি প্রচাৰ কৰিছিল বুলি অনুমান কৰিব পাৰি।

নাথ-যোগীসকলৰ মাজত প্রাদেশিক ব্যৱধান অধিক নাছিল। তেওঁলোক আছিল মূলতঃ পৰিব্রাজক। নাথ ধর্ম আৰু সংস্কৃতিৰ প্রচাৰৰ উদ্দেশ্য তেওঁলোকে দেশৰ ইঠাইৰ পৰা সিঠাইলৈ পৰিভ্রমণ কৰিছিল।

পুৱণি কামৰূপত নাথ ধর্ম প্রসাৰৰ একাধিক প্রমাণ পোৱা যায়। আনকি ৰাজস্থানত প্রচলিত গীতৰ মাজতো মূল কামৰূপী সুৰ নিহিত হৈ আছে। বর্তমান অবিভক্ত গোৱালপাৰা জিলাৰ ভিতৰুৱা অঞ্চলত নিৰক্ষৰ চহালোকৰ মুখত এনে গীতৰ আবৃত্তি শুনিবলৈ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ নাথ সাহিত্যৰ অন্তর্গত ৰচনাসমূহৰ নাম উল্লেখ কৰি তাৰ চমু পৰিচয় আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৪ঃ নাথ সম্প্রদায়ৰ সাহিত্যৰ অন্তর্গত বেলাড বা কাহিনী গীতসমূহৰ চমু পৰিচয় আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰামাই পণ্ডিতৰ *শূন্য পুৰাণ* শূন্যবাদৰ ওপৰত প্ৰতিষ্ঠিত। শূন্যবাদৰ সৈতে বৌদ্ধ ধৰ্ম আৰু হিন্দু ধৰ্মৰ দাৰ্শনিক চিন্তাৰ সমন্বয় সাধিত হৈছে।
- হিন্দু ধৰ্মত পৌৰাণিক দেৱতাসকলৰ ভিতৰত ধৰ্মদেৱতাৰ বিশেষ স্থান আছে। ৰামাই পণ্ডিতৰ *শূন্য পুৰাণত* ধৰ্ম দেৱতাৰ পূজা পদ্ধতিৰ কথা আছে আৰু কাব্যখনি *ধৰ্ম পুৰাণ* নামেৰে পৰিচিত।
- ধৰ্ম পূজা মূলতঃ বঙ্গদেশৰ পশ্চিমাঞ্চলত (ৰাঢ় প্ৰদেশত) প্ৰচলিত। অসমতো ধৰ্ম পূজাৰ সৈতে জড়িত পৰম্পৰাৰ পৰিচয় পোৱা যায়।
- বৌদ্ধ ধৰ্মৰ সৈতে তান্ত্ৰিক হিন্দু ধৰ্মৰ সমন্বয়ত ধৰ্ম দেৱতাৰ পূজাৰ পৰম্পৰা গঢ় লৈ উঠে। কাব্যখনত উভয় অসমীয়া আৰু বাংলা ভাষাৰ নিদৰ্শন দেখা পোৱা গ'ল।
- চৰ্যাপদৰ পিছতেই *গোৰক্ষবিজয়* নাথ সাহিত্যৰ উল্লেখযোগ্য নিদৰ্শন। *গোৰক্ষবিজয়ত* প্ৰতীকৰ যোগেদি যোগৰ তাত্ত্বিক ব্যাখ্যা দাঙি ধৰা হৈছে।
- *মীন চেতনৰ* তাৎপৰ্য হৈছে আত্মাৰ চৈতন্য। আদৰ্শভ্ৰষ্ট হ'লেহে মহাসিদ্ধ যোগীৰো পতন হ'ব পাৰে, সেয়া কাব্যখনিৰ যোগেদি দাঙি ধৰা হৈছে।
- *ময়নামতীৰ গানৰ* বিষয়বস্তু আপেক্ষিকভাৱে প্ৰাচীন যদিও ইয়াৰ ভাষা কিছু পৰিমাণে অৰ্বাচীন। *ময়নামতীৰ গানত* তন্ত্ৰ-মন্ত্ৰ আৰু অলৌকিক শক্তিৰ আভাস পোৱা যায়। এই শ্ৰেণীৰ গীতৰ বিষয়বস্তুৰ বিষয়ে ধাৰণা লাভ কৰিব পৰা গ'ল।
- ময়নামতীৰ চেষ্টাত গোপীচন্দ্ৰই যোগী জীৱন যাপন কৰাৰ কৰুণ কাহিনীভাগ লৈ *গোপীচন্দ্ৰৰ গীতৰ* কাহিনীভাগ ৰচিত হৈছে।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) হাজৰিকা, পৰীক্ষিত (১৯৮৭); *চৰ্য্যাপদ*; ফটাশিল-আমবাৰী, গুৱাহাটী ঃ ডালিমী প্ৰকাশন।

২) শৰ্মা, গিৰিধৰ (১৯৭৪); *অসমীয়া জাতিৰ ইতিবৃত্ত*; অসম সাহিত্য সভা।

৩) শৰ্মা দলৈ, হৰিনাথ (১৯৮৩); *অসমীয়া শক্তি সাধনা আৰু শক্তি সাহিত্য*; নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

বাংলা গ্ৰন্থ ঃ

১) দত্ত, অক্ষয় কুমাৰ (১৩১৪ বাংলা); *ভাৰতীয় উপাসক সম্প্ৰদায়*; কলিকতা।

২) পাল, ৰামেশ্বৰ (১৯৭৬); *দাৰ্শনিক শূন্যবাদ ও নাথ সাহিত্য*; কলিকতা।

৩) ভট্টশালী, নলিনীকান্ত আৰু দত্ত, বৈকুণ্ঠনাথ (সম্পা.) (১৬২১ বাংলা); *ময়নামতীৰ গান*; ঢাকা সাহিত্য পৰিষদ।

৪) ভট্টাচার্য্য, বিশ্বেশ্বৰ (সম্পা.) (১৩১৫ বাংলা); *ময়নামতীৰ গান*, (২য় সংখ্যা); বঙ্গীয় সাহিত্য পৰিষদ পত্রিকা।

৫) সেন, সুকুমাৰ (১৩১৪ বাংলা); *বাংলা সাহিত্যেৰ ইতিহাস*; কলিকতাঃ মডার্ণ বুক এজেন্সি।



৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ *শূন্য পুৰাণ* নামটোৰ লগত জড়িত মতৰ আধাৰত উত্তৰটো লিখিব।

২নং প্রশ্নৰ উত্তৰ ঃ *শূন্য পুৰাণত* থকা ধর্ম দেৱতাৰ উল্লেখ... ...সেই দেৱতা আৰু অন্যান্য ধর্মীয় বিশ্বাস আৰু পৰস্পৰাৰ কথা আলোচনাৰ লগতে *শূন্য পুৰাণত* সেইসমূহ প্রসংগই কেনে ধৰণৰ তাৎপর্য বহন কৰিছে তাৰ সংক্ষিপ্ত লেখ।

৩নং প্রশ্নৰ উত্তৰ ঃ নাথ সাহিত্যৰ অন্তর্গত সাহিত্য সৃষ্টিসমূহ হৈছে ক্রমে *হাড়মালা*, *অনাদ্য চৰিত্র*, *মনসা কাব্য*, *গোৰক্ষবিজয়*, *মীন চেতন*, *ময়নামতীৰ গান* আৰু *গোপীচন্দ্রৰ গীত*... ...সেই সৃষ্টিসমূহৰ চমু পৰিচয়মূলক টোকা।

৪নং প্রশ্নৰ উত্তৰ ঃ নাথ সম্প্রদায়ৰ সাহিত্যৰ অন্তর্গত বেলাড বা কাহিনীগীতিসমূহ হৈছে *গোৰক্ষবিজয়*, *মীন চেতন*, *ময়নামতীৰ গান* আৰু *গোপীচন্দ্রৰ গীত*... ...সেইসমূহৰ চমু পৰিচয়।

৪.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *শূন্য পুৰাণ* বুলিলে কি বুজে? পুথিখন কোনে ৰচনা কৰিছিল।

প্রশ্ন ২ ঃ *শূন্য পুৰাণত* প্রকাশ পোৱা শূন্যবাদ বুলিলে কি বুজে? *শূন্য পুৰাণৰ* সৃষ্টিতত্ত্ব সম্পর্কে কি কোৱা হৈছে?

প্রশ্ন ৩ ঃ ধর্ম পূজাৰ সৈতে প্রাসঙ্গিকভাৱে কোনকেইজন দেৱতাৰ পূজা কৰা হয়? ধর্ম পূজাৰ পৰস্পৰা অসমত ক'ত প্রচলিত আছে, বিচাৰ কৰক।

প্রশ্ন ৪ ঃ অনন্ত কন্দলিৰ সৈতে ধর্ম পূজাৰ কেনে ধৰণৰ সম্পর্ক আছিল? *কথাগুৰু চৰিতত* এই বিষয়ে কেনে ধৰণৰ বর্ণনা পোৱা যায়?

প্রশ্ন ৫ ঃ বৌদ্ধ ধর্ম আৰু *শূন্য পুৰাণৰ* ধর্ম পূজাৰ মাজৰ সম্পর্ক বিচাৰ কৰক।

প্রশ্ন ৬ ঃ ধর্মপূজাৰ সৈতে পৌৰাণিক আৰু লৌকিক কোনবোৰ দিশ জড়িত হৈ আছে?

প্রশ্ন ৭ ঃ *গোৰক্ষবিজয়* কাব্যৰ মূল বিষয়বস্তু কি? *গোৰক্ষবিজয়ত* 'কদলী ৰাজ্য' সম্পর্কে কেনে উল্লেখ পোৱা যায়?

প্ৰশ্ন ৮ ঃ যোগ বিষয়ক তাত্ত্বিক আলোচনাৰ আভাস *গোৰক্ষবিজয়ত* কেনেদৰে উপস্থাপিত হৈছে?

প্ৰশ্ন ৯ ঃ *মীন চেতন* কাব্যৰ ব্যৱহাৰিক তাৎপর্য সম্পর্কে আলোচনা কৰক।

প্ৰশ্ন ১০ ঃ *ময়নামতীৰ গানত* অলৌকিক শক্তিৰ প্ৰভাব কেনে ধৰণে পৰিছে?

প্ৰশ্ন ১১ ঃ *ময়নামতীৰ গানত* প্ৰতিফলিত সমাজৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ১২ ঃ *গোপীচন্দ্ৰৰ গীতৰ* কাহিনীভাগ লিখক। গোপীচন্দ্ৰই কিয় সন্ন্যাস গ্ৰহণ কৰিবলগীয়া হৈছিল?

*** ***** ***